মেঘকন্যা

[এক]

এটা নতুন দিনত নতুন সূৰ্যৰ জন্ম।

সূৰ্যটো নমৰে। সূৰ্যৰ মৃত্যু নাই। সূৰ্যৰ শক্তিয়ে আমাক জীয়াই থকাৰ আশা আৰু প্ৰেৰণা দিব। দি থাকিব চিৰদিন।

সোণোৱালী সূৰ্য্যৰ পোহৰে ধোৱা হিমচেঁচা ৰাতিপুৱা। যোৱা ৰাতি যিটো সূৰ্যৰ মৃত্যু হৈছিল আজিৰ এই মনোমোহা ৰাতিপুৱা সেইটোৱে নৱজন্ম। হয়তো এই নৱ সূৰ্যৰ আৰু কোনো দিনেই মৃত্যু নহয়। হ'ব নোৱাৰে।

শীতৰ হিমে ধোৱা ৰাতিপুৱা। জন জীৱনলৈ নতুন শক্তিৰ সঞ্চাৰ হোৱা ৰাতিপুৱা। ৰাতিপুৱাটো যেন মিলন আৰু বিৰহৰ প্ৰতীক। গাভৰু দেহৰ উম লগা ৰ'দজাক আহিনৰ কুঁৱলী ফালি ওলাই আহিছিল। ৰিৱৰিৱকৈ বৈ থকা সেমেকা বতাহজাকৰ চোক যেন দুৰ্বল হৈ আহিছিল। বতাহত গছৰ পাত কঁপিছিল আৰু পাতত লাগি থকা হিমকণাবোৰ টপৰ টপৰকৈ সৰিবলৈ আৰম্ভ কৰিছিল। কচুপাতত বৈ থকা হিমৰ টোপালবোৰ সূৰ্যৰ পোহৰত মুকুতা হৈ জিলিকিছিল। পদুলিৰ মূৰত থকা শেৱালিজোপা ফুলি ৰাতিৰ তৰা বছা আকাশৰ দৰে জিলিকি আছিল। নতুন সূৰ্যৰ চুমাৰ পৰশত ৰাতি নীৰৱে ফুলা ফুলবোৰ এপাহ এপাহ কৰি সৰিবলৈ আৰম্ভ কৰিছে। সৰা ফুলেৰে শেৱালিৰ তলখন সুকোমল বগা দলিছাৰ দৰে হৈ পৰিছে। মৌকোঁহৰ বলিয়া ভোমোৰাই গুঞ্জন তুলি ইপাহৰ পৰা সিপাহত পৰিছে। ভোমোৰাৰ ভৰ সহিব নোৱাৰি যেন শেৱালিজোপা কঁপিছিল। সৰি পৰা ফুলৰ সুৰভি বিচাৰি ভোমোৰাবোৰ যেন বলিয়াৰ দৰে হৈ পৰিছে।

বনকৰা ছোৱালীজনীয়ে বাঢ়নীৰে চোতাল সাৰি গৈ গৈ শেৱালিজোপাৰ তল পাই তাই থমকি ৰৈছিল। তাই বনকৰা ছোৱালী হ'লেও তাইৰো এখন দৰদী অন্তৰ আছে। ফুল ভাল পোৱা মন এটা আছে। তাইৰ হুমুনিয়াহ এটা ওলাই আহিল। তাৰ পাছত তাই বাঢ়নীৰে ফুলবোৰ চোতালৰ আগৰ জাবৰ সৰাদি সাৰিবলৈ ধৰিলে। মণিকাই আগফালৰ বাৰাণ্ডাত থিয় হৈ দাঁত ঘঁহি ঘঁহি চাই আছিল। তাইৰো এটা বুকুকঁপা হুমুনিয়াহ ওলাই আহিছিল। এৰা, বনকৰা ছোৱালীজনীয়ে সৰা শেৱালিবোৰ বাঢ়নীৰে সাৰি জাবৰ পেলোৱা গাঁতত পেলাই দিব। সন্ধিয়ালৈ শেৱালিজোপা আকৌ ফুলিব। বনকৰা ছোৱালীজনীয়ে ৰাতিপুৱাই আকৌ সাৰি পেলাব। শৰতৰ সন্ধিয়াবোৰত শেৱালি ফুলে। সূৰ্য্য কোঁৱৰৰ আগমনৰ বাতৰি পোৱাৰ আগতেই ফুলবোৰ সৰি যায়। কি যে এক নিষ্ঠুৰ পৰিণতি। মণিকাৰ কথাবোৰ ভাবি ভাবি কান্দি দিবৰ মন গৈছিল।

তৰা নোহোৱা আকাশখন বিধৱাৰ উকা কপালৰ দৰে নালাগে জানো? তৰা নথকা আকাশ আৰু ফুল নথকা ফুলৰ গছজোপা লৈ কোনোবাই চকু দিয়ে জানো? আৰু, আৰু সন্তান নথকা মাতৃৰ কোলা শুৱনি হয় জানো? ঘোৰ অৰণ্যত চৰাই-চিৰিকতিৰ মাতে মধুৰ পৰিবেশ সৃষ্টি কৰাৰ দৰেই এখন নিমাওমাও ঘৰত শিশুৰ কোলাহলে সৰগৰ বতৰা দিয়ে।

এবছৰ বা দুবছৰ নহয়। দহ বছৰ। এই দহোটা বছৰ যেন তাইৰ বাবে দহোটা যুগ। এই দহোটা বছৰ তাই জয়াল আৰু নীৰৱ পৰিবেশ এটাৰ মাজত জীয়াই আছে। প্ৰকৃতিৰ কোলাহলৰ মাজত ডাঙৰ-দীঘল হোৱা নাই। ঘৰখনত কুকুৰ-মেকুৰীৰ বাহিৰে কোনো নাই। কোনো পৰিৱৰ্তন নাই। নতুনত্ব নাই। মাত্ৰ ঘৰত কাম কৰা ছোৱালীবোৰ সলনি হৈ থাকে। তাই মানুহ। এনেকৈ আৰু কিমান দিন থাকিব। সজাত বন্দী জীৱনৰ দৰেই যেন তাই জীয়াই আছে। কিন্তু আৰু কিমান দিন। ধৈৰ্যৰো জানো সীমা নাই? কিন্তু....

'ইয়ে আকাশবাণী হ্যে!'

তাৰ মানে ৰাতিপুৱা আঠ বাজিলেই। অথচ ইমান পৰে তাই মুখকে ধোৱা নাই। গিৰিয়েকৰ কলেজ বন্ধ। ৰাতিপুৱা গিৰিয়েক ওলাই যোৱা তাই ক'ব নোৱাৰে। ৰাতিপুৱা পাঁচ বজাতে ওলাই যায়। টিউশ্বনলৈ। ঘৰ সোমাওঁতে আঠ-ন বাজি যায়।

"বাইদেউৰ হ'বলা মুখ ধোৱা হোৱাই নাই! সোনকাল কৰক, নহ'লে চাহ চেঁচা হ'ব।"

গতিকেই তাই মুখ ধুই চাহ কাপ খায়ে বাথৰুমত সোমাল। বাথৰুমৰ পৰা আহি কাপোৰ পিন্ধি ড্ৰেচিং টেবুলৰ আগত থিয় হ'ল। এৰা, বুকুখন আকৌ পূৰঠ হৈ উঠাৰ আৰম্ভ কৰিছে। গাল-মুখ পূৰঠ হৈ পৰিছে। কথাটো মনত পৰা মাত্ৰকেই মণিকাৰ মনটো উগুল-থুগুল লাগিল। আইনাত সদায় দেখি থকা নিজৰ চেহেৰাটো তাইৰ নহয় যেন লাগিল। এৰা এয়া তাইৰ পূৰ্ণতাৰ প্ৰতীক। মাতৃৰ ৰূপ। তাইক যেন কোনোবাই "মা" বুলি মাতিছে।

কংসই দৈৱকীৰ সাতটা সন্তান হত্যা কৰি মাতৃ বুকু উদং কৰিছিল আৰু তাইৰ—! দৈৱকী কংসৰ পোতাশালত বন্দী হৈ থকাৰ দৰে তায়ো যেন আজি এক পোতাশালত বন্দী।

কথাটো তাই লুকুৱাই ৰাখিছিল; কিন্তু জ্বলা জুইক ঢাকি ৰাখিব পাৰি জানো? গতিকেই তাই কথাটো গিৰিয়েকক কৈছিল। গিৰিয়েকে কোৱা কথাবোৰ তাইৰ কাণত হিলৈ ফুটাদি ফুটি আছে।

অলপ আগতে যি দুটা চকুৰে কুঁৱলি ফালি ওলাই অহা নতুন সূৰ্য দেখিছিল, এতিয়া সেই একেহাল চকুৰেই দশোদিশৰ পৰা অন্ধকাৰ নামি অহা দেখা পাইছে। সুন্দৰ ৰাতিপুৱা সকলোবোৰ সৌন্দৰ্যই তাইৰ বাবে অৰ্থহীন হৈ পৰিছে।

"নাই, নাই— সেইটো তাই কেতিয়াও মানি ল'ব নোৱাৰে। গিৰিয়েকৰ কোনো ফুচুলনিয়েই তাইক সিদ্ধান্তৰ পৰা নমাব নোৱাৰে। পৃথিৱীৰ কোনো শক্তিয়েই তাইক হাৰ মনাব নোৱাৰে। প্ৰয়োজন হ'লে তাই যিকোনো নিষ্ঠুৰ সিদ্ধান্ত ল'বলৈ বাধ্য হ'ব।"

মণিৰ অন্তৰ আত্মাই বাৰিষাৰ মেঘৰ দৰে গৰজি উঠিল। বনকৰা ছোৱালীজনীয়ে আনি দিয়া চাহ-লুচিখিনি লৈ যাবলৈ ক'লে। নাই, তাইৰ একো খাবলৈ ইচ্ছা যোৱা নাই। কাৰো লগত কথা পাতিবৰ মন যোৱা নাই। এইখন বন্দীশালৰ দৰে ঘৰত থাকিবলৈ মন যোৱা নাই। কিন্তু পৃথিৱী এৰি তাই ভৰি দিব ক'ত?

ইমান দিনে স্বামীদেৱতা বুলি ভাবি অহা গিৰিয়েকৰ ছবিটোত তাই নিষ্ঠুৰ দৈত্য কংসৰ ছবিখন দেখা পালে। মানুহজন ইমান নিষ্ঠুৰ কিয়? নিষ্ঠুৰ নে কাপুৰুষ? শিক্ষা, জ্ঞান আৰু বয়সে মানুহৰ মন আৰু চিন্তাৰ পৰিসৰ বহল কৰে, পবিত্ৰ কৰে, কিন্তু তাইৰ গিৰিয়েকৰ কি হ'ল বাৰু? অন্তৰেৰে চিনি পোৱা মানুহটো তাই চিনিব নোৱৰা হ'ল কিয়? বুজি পোৱা গিৰিয়েকক তাই নুবুজা হ'ল কিয়? সমাজ, ধৰ্ম, সংস্কাৰ সকলো দলিয়াই তাইক গ্ৰহণ কৰিছিল; কিন্তু তাইৰ গৰ্ভস্থ সন্তানক গ্ৰহণ কৰিব নোৱাৰে কিয়? পিতৃত্বৰ দায়িত্বৰ পৰা পলাই ফুৰিবলৈ ধৰা কাৰণটো কি?

তাই আজি সজাত বন্দী। তাইৰ অন্তৰৰ কথাবোৰ শুনাৰ বাবে আজি কোনো নাই। কাক তাই তাইৰ অন্তৰৰ কথাবোৰ বুজাই ক'ব? তাইক বাৰু এই ঘোৰ সংকটৰ পৰা কোনে উদ্ধাৰ কৰিব? ইয়াৰ পৰা মুক্তি পাব কেনেকৈ?

এইখন ঘৰলৈ কোনো আহিব নোৱাৰে। কোনো নাহে। হয়তো যমো আহিব নোৱাৰে। তায়ো কাৰো ঘৰলৈ যাব নোৱাৰে। গিৰিয়েকে কলেজলৈ যাবৰ সময়ত লোহাৰ ওখ গেটখনত শকত তলা এটা মাৰি থৈ যায়। চাৰিওফালৰ ওখ দেৱালৰ মাজত তাই যেন গৃহবন্দী। কিন্তু কিয়? তাইৰ প্ৰতি এই অবিচাৰ কিয়?

[দুই]

"হেৰা, হেৰা ক'ত আছাহে!"

"..............."

"মণি, মণি শুনিছানে?"

স্কুটাৰখন ৰখায়ে উধাতু খাই মণিক বিচাৰিছিল। তাইৰ কোনো সাৰি-শব্দ নেপাই ঘৰত কাম কৰা ছোৱালীজনীক সুধিলে— "মিলিকি, ঐ মিলিকি, বাইদেউৰা ক'ত আছে অ'?"

"আছে, ভিতৰতে থাকিব পায়। অলপ আগতে গা ধুই ভিতৰ সোমাইছিল। তাৰ পাছত আৰু ওলোৱা দেখা নাই।"

ঠিকেই। মণি ভিতৰতে আছে। বিছনাত উবুৰি হৈ পৰি কান্দি আছে। মণিয়ে কান্দি থকাৰ অৰ্থটো বুজিবলৈ নৱকান্তৰ পলম নহ'ল। তথাপি যেন সি বিমোৰত পৰিল। তাইক মাতিবলৈ তাৰ কিয় জানো সাহস নহ'ল। কোঠাৰ পৰা ওলাই আহি বাহিৰৰ বাৰাণ্ডাতে বহিল। সি এতিয়া কি কৰিব ? মণিক কেনেকৈ বুজাব ? হাতৰ ঘড়ীটোলৈ চালে। দহ বাজো বাজো। যোৱাৰ সময় হ'লেই। যোৱা ৰাতিয়েই ঘৈণীয়েকক কৈ থৈছিল— টিউশ্যনৰ পৰা আহিয়েই ডাঃ বৰুৱাৰ নাৰ্চিংহোমলৈ যাব। মণি অৱশ্যে তাৰ কথাত সন্মত হোৱা নাছিল। অথচ তাৰ দৃঢ় বিশ্বাস আছিল যে সময়ত তাই ওলাই থাকিব। কিন্তু এতিয়া ওলোৱাৰ পৰিৱৰ্তে বিছনাত পৰি কান্দিহে আছে।

অসম্ভৱ। এইটো কেতিয়াও হ'বলৈ দিব নোৱাৰি। সি লোৱা সিদ্ধান্ত মতে কাম হ'বই লাগিব। মানুহে যিকোনো কথাৰ সিদ্ধান্ত মাত্ৰ এবাৰহে লয়। সময় সলনি হ'ব পাৰে, কিন্তু নৱকান্তই লোৱা সিদ্ধান্তৰ হেৰফেৰ হ'ব নোৱাৰে। আৰু সি যি সিদ্ধান্ত লৈছে, সেইটো ক্ষন্তেকীয়া চিন্তাৰে লোৱা হোৱা নাই। যথেষ্ট চিন্তা-চৰ্চাৰ মূৰত লোৱা সিদ্ধান্ত। সি আজি কোমলমতীয়া ল'ৰা নহয়। দুকুৰি বছৰৰ কাষ চপা মানুহ। মণিকা তাৰ পত্নী। তাৰ কথা তাই মানিবই লাগিব।

গতিকেই সি পুনৰ শোৱা কোঠাত সোমাল। তুলুমণিয়ে কন্দা বন্ধ কৰিছিল যদিও ঘোৰ চিন্তাত বিভোৰ হৈ তলমূৰ কৰি বহি আছিল। সি তাইৰ কাষতে বহি লৈ ক'লে—

"মিছাতে কান্দিছা কিয় ? এইটো কান্দিবলগীয়া কথা জানো ? তুমি যি বিচাৰিছা ময়ো সেইটো বিচাৰিছো; কিন্তু তাৰ সময় এতিয়াও হোৱা নাই মণি। উঠা, হাত-মুখ ধুই ওলোৱাগৈ। ডাঃ বৰুৱা আমাৰ বাবে বৈ থাকিব। ডাঃ বৰুৱা অহা কালিলৈ দিল্লীলৈ যাব। এমাহ মানৰ মূৰতহে আহিব বোলে। তেতিয়ালৈ বহুত পলম হৈ যাব।"

মণিয়ে ভাবিলে— এতিয়া আৰু কান্দি ৰণ জিকাৰ সময় নহয়। তাই মাটিৰ পুতুলা নহয়। এজনী জীয়া মানুহ। তাইৰ মতৰ বিৰুদ্ধে কোনো কাম নকৰে।

"মোৰ গা ভাল নহয়। মই কলৈকো যাব নোৱাৰো। মানে নাযাওঁ।"

"কিন্তু কিয় ? যাবই লাগিব মণি, তুমি ইমান অবুজ নহ'বাচোন।"

"মই অবুজ হোৱা নাই। আপুনি নিজেহে অবুজ হৈছে। মুঠৰ ওপৰত মই এখোজো লৰচৰ নহওঁ। ইচ্ছা কৰিলে মোক হত্যা কৰিব পাৰে।"

"মণি, মণি— কথাবোৰ এবাৰ ভালদৰে চিন্তা কৰা মণি।"

"মই চিন্তা কৰিহে সিদ্ধান্ত লৈছো। নতুনকৈ চিন্তা কৰিবলৈ একো নাই।"

"চিঞৰ-বাখৰ নকৰিবা মণি, কাষৰ মানুহে শুনিলে কি বুলিব বাৰু? আৰু কাম কৰা ছোৱালীজনীয়ে বুজিব পাৰিলে বৰ বেয়া কথা হ'ব।"

"আগতে কাষৰ মানুহে নালাগে বেৰত থকা জেঠি এটাইও শুনিব নালাগে বুলি ভাবিছিলো। কিন্তু এতিয়া ভাবিছো প্ৰয়োজন হ'লে ৰাস্তালৈ ওলাই গৈ বাটৰ বাটৰুৱাক আৰু পৃথিৱীৰ সকলোকে শুনাম। তেতিয়া কাৰ সিদ্ধান্ত সঠিক বুজিব পাৰিব।"

"প্লিজ মণি, মোৰ শেষ অনুৰোধ ৰাখা মণি। আমাৰ বাবে এজন মানুহ ৰৈ থাকিব। আমাৰ সময়ৰ মূল্য নহ'ব পাৰে, কিন্তু ডাঃ বৰুৱাৰ সময়ৰ মূল্য আছে।"

"কৈছো নহয়, মোক আপুনি হত্যা কৰিব পাৰে। মই পশু নহয়। মানুহ। মাতৃ। গতিকে তেনেকুৱা নিষ্ঠুৰ আৰু পাপ কাম বাৰে বাৰে কৰি থাকিব নোৱাৰো। এসময়ত আপোনাৰ চলাহী কথাত অন্ধ হৈ বহুতো পাপ কাম কৰিলো। এতিয়া মোৰ সেই ভুল ভাঙিছে। মই মাতৃ হ'ব খোজো। গতিকে মিছাতে মোক আমনি নকৰিব।"

"তুমি অবাধ্য নহ'বা মণি, এয়া মোৰ শেষ অনুৰোধ। অনুৰোধটোক আদেশ বুলিও ধৰিব পাৰা। তুমি যাবই লাগিব।"

"তেন্তে শুনক— ময়ো মোৰ শেষ সিদ্ধান্ত জনাই দিছো— মই নাযাওঁ। আৰু শুনক, মই নাৰী। মাতৃ। নাৰী সদায় মাতৃ। তাই ৰাক্ষসী হ'ব নোৱাৰে।"

"চিনেমাৰ বচন মাতিব নালাগে মণি, সেইবোৰ শুনাৰ মোৰ সময় আৰু ধৈৰ্য কোনোটোৱেই নাই।"

"আপুনি মানৱ নে দানৱ— মই ক'ব নোৱাৰো; কিন্তু মই মানুহ। নাৰী। প্ৰতিজনী নাৰীয়েই মাতৃ হ'বলৈ বিচাৰে। এসময়ত আপোনাৰ প্ৰেমিকা আছিলো। তাৰ পাছত পত্নী হ'লো আৰু এতিয়া মাতৃ হ'বলৈ বিচাৰো। মাতৃত্বৰ অবিহনে নাৰী জীৱনৰ সাৰ্থকতা নাই। লোক-নিন্দাৰ পৰা মুক্তি বিচাৰো।"

"জানো, জানো মণি, তোমাতকৈ মই ভালদৰে জানো। কিন্তু তুমি মাতৃত্বৰ গৌৰৱেৰে যি স্বীকৃতি পাবা, মই পিতৃত্বৰ গৌৰৱ পোৱাৰ পাছত সিমানখিনি গ্লানি ভোগ কৰিব লাগিব।"

"তাৰ আগতে মই আপোনাৰ পৰা এটা কথা জানিব বিচাৰিছো— মানে কিহৰ বাবে আপুনি গ্লানি খাব? মই জানো অবৈধ সন্তানৰ মাতৃ হ'বলৈ ওলাইছো? মই জানো আপোনাৰ পত্নী নহয়? লাইটু মুখাৰ গীৰ্জাত জানো যীশুক সাক্ষী কৰি মোক পত্নী হিচাপে গ্ৰহণ কৰা নাছিল? তাৰ বাহিৰেও আপোনালোকৰ কামাখ্যা মন্দিৰত মালা সলোৱা নাছিল? ময়োতো বাঁজী বুলি গ্লানি হজম কৰি আছো।"

"সেইবোৰ বহুত পুৰণি কথা মণি, আচল কথা হ'ল— মানে যাবলৈ দিয়া সেইবোৰ। এই বিষয়ে এদিন নিৰলে কথা পাতিম বাৰু?"

"এতিয়াও কোনো কোলাহল হোৱা নাই। আমি কোনো ৰাজহুৱা ঠাইত কথা

পতা নাই। আমাৰ মাজত তৃতীয় ব্যক্তি এজনো নাই। আমি আমাৰ শোৱনি কোঠাত কথা পাতিছো। গতিকে মোক আজি এতিয়াই সকলো কথা ক'ব লাগিব। বহুত দিন মনে মনে থাকিলো। এতিয়া আৰু নাথাকো।"

"তুমিতো ইমান জেদি নাছিলা ? আজি কিয় জেদ ধৰিছা ?"

"তাৰ বাবে আপুনি মোক নিজে বাধ্য কৰাইছে।"

"শুনা মণি, মই তোমাক পুনৰ অনুৰোধ কৰিছো। ডাঃ বৰুৱা পুৰা এমাহ নাথাকে। তেওঁ অহালৈ চাৰি মাহ হৈ যাব। তেতিয়া হয়তো নহ'বলগীয়া বিপদ হ'ব পাৰে।"

"মোৰ মৃত্যু হ'ব! ডাক্তৰে কৰিব নোৱাৰো বুলি ক'ব! মই কিন্তু সেইটোকে কামনা কৰিছো। মোৰ শেষ কথা হ'ল— আপুনি মোক সকলো কথা খুলি ক'ব লাগিব। তাৰ পিছতহে মোৰ সিদ্ধান্ত সলাব পাৰোনে নোৱাৰো ভাবি চাম।"

"মণি!"

"মোক অকণমান শান্তিৰে থাকিবলৈ দিয়ক।" বুলি তাই এক প্ৰকাৰ তাক কোঠাৰ পৰা বাহিৰ কৰি দৰ্জাখন বন্ধ কৰি দিলে।

[তিনি]

তাই নৱকান্তৰ বাবে কি কৰা নাছিল। অন্যকি নিজৰ নামটোও সলাই পেলাইছিল। আজি তাইৰ বহুতো অতীতৰ কথা মনত পৰিছে। ইমান দিনে নৱকান্ত গোস্বামী বোলা তাইৰ স্বামীজনৰ মৰমৰ মাজত বুৰ গৈ থাকি সকলোবোৰ পাহৰি আছিল। তাই হাড়ে-হিমজুৱে চিনি পাই আপোন কৰি লোৱা নৱতো আজি কিয় এনেকুৱা হ'ল ? আজি তাইৰ মাকৰ কথাবোৰ বাৰে বাৰে মনত পৰিছে। তাই আজি বুজিছে— অন্য নহ'লেও বিয়াৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীয়ে মাক-বাপেকৰ কথা মানিব লাগে। প্ৰেম মানে অন্ধ। ৰূপৰ মোহত বন্দী প্ৰেমে ভাল-বেয়াৰ বিচাৰি কৰিব নোৱাৰে। "আমি পাহাৰীয়া মানুহ আইজনী। ভৈয়ামৰ মানুহৰ মনৰ বতৰা কি পাবি ? তাতোকৈ ডাঙৰ কথা হ'ল আমাৰ ধৰ্ম বেলেগ, জাত বেলেগ, ভাষা বেলেগ। সিহঁতৰ লগত আমাৰ একোৱে মিল নাই। সেয়ে তই আমাৰ কথা শুন। নৱকান্তৰ লগত বৰকৈ হলি-গলি নকৰিবি।"

"তেওঁক মই ভালদৰে বুজি পাইছো মা, তুমি ভবাৰ দৰে তেওঁ নহয়। মই যে আৰু পিছুৱাব নোৱাৰো মা, বৰকৈ পিছল খালো। মাত্ৰ আমাক আশীৰ্বাদ দিয়া, অভিশাপ নিদিবা।"

আৰু বহুতো অতীতৰ কথা আজি তাইৰ মনত পৰিছে। যিবোৰ কথা কল্পনা

কৰিলে ভাল লাগে, ঘটনাটো মনত পৰিলে লাজ লাগে। নাই, তাই সেই অতীতৰ মধুৰ কাহিনী পাহৰি যাব নোৱাৰে। পাহৰি যোৱা মানেই নিজকে ফাঁকি দিয়া হ'ব।

পাহাৰৰ পুষ্পলতাৰ দৰেই এলিজা। তাইৰ ৰূপৰ তুলনা কল্পনাৰ বস্তু- মেনকাৰ লগতহে হয়তো কৰিব পাৰি। নিজৰাৰ দৰেই তাইৰ মন চঞ্চল আৰু পবিত্ৰ। মুক্ত আকাশ, মুক্ত বতাহ—আৰু শ্বিলঙৰ অপূৰ্ব সৌন্দৰ্যৰ মাজত জন্ম মিছ মেৰী এলিজাৰ। শ্বিলঙৰ প্ৰাকৃতিক সৌন্দৰ্যই কাকো পৰ বুলি নভবাৰ দৰেই তায়ো কাকো পৰ বুলি ভবা নাছিল। প্ৰকৃতিৰ মানোৰম সৌন্দৰ্যই কোনো দিনেই চকুলো টুকিবলৈ নিশিকাৰ দৰেই এলিজায়ো শিকা নাছিল। চকুলো কাক কয়, তাই চিনি পোৱা নাছিল। হাঁহি আৰু হাঁহি। পাহাৰৰ নিজৰাৰ খলখলীয়া হাঁহিৰ দৰেই তায়ো হাঁহিব জানিছিল। কিমান যে মধুৰ আছিল সেই দিনবোৰ। পাহাৰৰ গুহাত সোমোৱা ডাবৰ আৰু কুঁৱলী খেদি ইটো পাহাৰৰ পৰা সিটো পাহাৰলৈ দৌৰি ফুৰিছিল।

সেয়া এক অতীতৰ কাহিনী। তাইৰ জন্মৰ আগৰ কথা। তাই মাকৰ মুখৰ পৰা আৰু বয়সীয়া মানুহৰ পৰা শুনা কথা।

১৮৭৪ চনৰ কে'বাদশকৰো পাছৰ কথা। খাছীয়া পাহাৰ তেতিয়া আজিৰ দৰে জন অৰণ্য নছিল। অসমৰ ৰাজধানী শ্বিলং। ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ পিছৰ ঘটনা।

১৮৭৪ চনতে চতুৰ ইংৰাজে ৰংপুৰৰ পৰা ৰাজধানী তুলি নি খাছীয়া পাহাৰৰ গুহা এটাত স্থাপিত কৰিছিল। শিলনিৰ মাজে মাজে ঘৰ সাজি ৰাজধানী পতাৰ বাবেই হয়তো নাম চিলা। কাশ্মীৰৰ দৰেই শীতল আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰ-পূৰ ঠাই। ইংৰাজবোৰ অতি ঠাণ্ডা ঠাইৰ মানুহ গতিকেই শ্বিলঙেই উপযুক্ত বুলি বিবেচিত হৈছিল। আনহাতে সৰ্বসাধাৰণে ঢুকি নোপোৱাকৈ থাকিব পৰাটোও এটা প্ৰধান কাৰণ আছিল।

কৰ্ণবাহাদুৰ থাপা। সুদূৰ নেপালৰ মানুহ। সি তেতিয়া এটা তেজাল আৰু চফল ডেকা। তেজে ফাটি যাওঁ ফুটি যাওঁ কৰা চেহেৰা। বয়স তেতিয়া বৰ বেছি একুৰিমান হ'ব। অসম বাহিৰৰ মানুহৰ বাবে কল্পতৰু সদৃশ। যিয়ে যি বিচাৰে অনায়াসে পায়। গতিকেই জীৱিকাৰ সন্ধানত কৰ্ণবাহাদুৰ নেপালৰ পাহাৰৰ পৰা বগুৱাবাই নামি আহি শ্বিলঙৰ পাহাৰত উঠিছিলগৈ।

শ্বিলঙত ভৰি দিয়ে কৰ্ণবাহাদুৰে বুজিলে নেপালৰ জলবায়ুৰ লগত প্ৰায়ে মিলে। শ্বিলঙৰ হিমচেঁচা বতাহে তাৰ মন শাঁত পেলালে। জান-জুৰি, পৰ্বত-পাহাৰ ভাল পায়। প্ৰকৃতিৰ মনৰ বতৰা সিয়ো অনুভৱ কৰিব পাৰে। সি বুজি পালে নেপালৰ প্ৰকৃতিয়ে কথা পতাৰ দৰে শ্বিলঙৰ প্ৰকৃতিয়েও তাৰ লগত কথা পাতিব জানে। প্ৰকৃতিৰ ভাষা সি বুজি পায়।

এটা মান সপ্তাহ তাৰ বাবে কঠোৰ পৰীক্ষাৰ সময় আছিল। তাৰ পাছত আৰু

সি পিছলৈ ঘূৰি চাব লগা হোৱা নাই। তাৰ ভাগ্যলৈ সপোনতো নেদেখা সুখ-ভোগ নামি আহিল।

চুইটী এটা সকলোৰে বাবে মিঠা নাম। তাই পৰ্বতীয়া পখিলাৰ দৰেই নাচি ফুৰে। গান গায়। কথা পাতে। চুলিবোৰ ৰঙচুৱা। গাল-মুখ পকা সুমথিৰাৰ দৰে। ওঁঠ দুখন তামোলৰ পিকেৰে বোলোৱা। উচ্চশিখৰৰ পৰা বৈ অহা নিজৰাৰ গতি বন্ধ হ'লেও তাইৰ হাঁহি আৰু কথা বন্ধ নহয়। হাঁহি আৰু কামেই তাইৰ জীৱন।

সচিবালয়ত ক্ৰমে ক্ৰমে চাহ দিয়ে। চাহৰ পাছতে তিনিখন তামোল একেলগে বান্ধি প্ৰত্যেকৰ টেবুলে টেবুলে দি যায়। আমোলা-বিষয়াসকলে চাহ-তামোল দিয়া চুইটীৰ লগত ৰসাল চুপতি মাৰে। হিন্দী, খাছীয়া আৰু অসমীয়া মিহলি কৰি তাই কথাৰ উত্তৰ দিয়ে। তায়ো কাকো বেয়া নাপায় আৰু তাইকো কোনেও বেয়া নাপায়। হাড় কঁপোৱা জাৰত চুইটীৰ চাহ কাপে গৰম কৰি তোলে। তাইৰ ৰূপৰ জুইত ডেকাবোৰ ডেই-পুৰি মৰে। অন্তৰত বহুতো নিষিদ্ধ কথাৰ ঢৌ উঠে। ডেকা-বুঢ়া যেন সকলো মুগ্ধ তাইৰ ৰূপ-যৌৱনত। চুইটীৰ অন্তৰখন এখন মুকলি আকাশ। তাইৰ অন্তৰৰ পৰা জিৰ্ জিৰকৈ প্ৰেমৰ নিজৰা বৈ থাকে। তাই যেন এজাক বলিয়া বতাহ। তাই মানুহৰ মুখৰ চেহেৰা দেখিয়েই মনৰ কথা বুজিব পাৰে। তাইৰ কাষত সকলোৱেই ধৰা দিয়ে, কিন্তু তাই কাৰো ওচৰত ধৰা নিদিয়ে।

চুইটীয়ে জানে— তাই মাত্ৰ চাহ- তামোলৰ দোকান দিছে। দেহ আৰু যৌৱনৰ দোকান দিবলৈ অহা নাই। সকলোৰে চকুৱে চকুৱে চাই তাই মোহিনী মায়াৰ হাঁহিৰে কথা পাতে। প্ৰতিজনেই ভাবে চুইটী বোলা গাভৰুজনীয়ে তেওঁক ভাল পায়। কিন্তু তাই সকলোৰে বাবে দিনৰ পৰ্বত আৰু ৰাতিৰ জুই। চাৰি বজাৰ চাহ-তামোল দিবলৈ আহোঁতেই বহী এটা লৈ আহে। খোৱাজনে দিনটোৰ চাহ- তামোলৰ হিচাপটো লিখি দিয়ে। "খুবলে, খুবলি" বুলি হাঁহি মাৰি তাই ৰাতিটোৰ বাবে বিদায় লয়।

তাইৰ ঘৰ ধানখেতিৰ সুউচ্চ পাহাৰৰ টিলা এটাত। মাকৰ একমাত্ৰ ছোৱালী। অৱশ্যে ককায়েক এটা আছিল। এতিয়া আপাৰ শ্বিলঙত থাকে, শহুৰেকৰ ঘৰত। খাছীসকল মাতৃ প্ৰধান— গতিকেই জোঁৱাই হ'বলৈ গ'ল। নাই তাইৰ মাত্ৰ এটাই দুখ— তাই বাপেকৰ পৰিচয় নাজানে। দেউতা বুলি কাকো মাতি পোৱা নাই। অসমীয়া উচ্চ বিষয়া এজনৰ ঘৰত তাইৰ মাকে 'আয়া'ৰ কাম কৰিছিল। বাপেক হেনো উচ্চ কুলৰ আছিল। 'আয়া' গুচি এদিন তাইৰ মাক বিষয়াজনৰ ৰক্ষিতা হৈছিল। তেৱেঁই হেনো সিহঁতৰ পিতৃ। এদিন বিষয়াজন ভৈয়ামলৈ বদলি হৈ নামি গ'ল। চুইটীৰ মাক তাতে পৰি থাকিল। এতিয়া সিহঁত থকা ঘৰটো হেনো বিষয়াজনেই সজাই দিছিল।

তাইৰ মাকেও এদিন চাহ-তামোলৰ দোকান দিছিল। মাক বুঢ়ী হোৱাত মাকৰ ব্যৱসায় চুইটীয়ে চলাইছে। তাইৰ ব্যৱসায় এতিয়া ভাল। দুটা ভাৰা ঘৰ আছে।

মাকে ঘৰতে তামোলৰ দোকান দিছে। শ্বিলং তেতিয়া লোকাৰণ্য।

চুইটীৰ দোকানতে কৰ্ণবাহাদুৰে চাহ খায়। তাই তাৰ চাহৰ দাম নলয়। কয়লা, পানী, বজাৰ-সমাৰ কৰ্ণবাহাদুৰে কৰি দিয়ে। আজৰি পৰত দুয়োটাই হাঁহি-ধেমালি কৰি কথা পাতে। তাইৰ হাঁহিয়ে পাহাৰৰ টিঙত ঠেকা খাই, কৰ্ণবাহাদুৰৰ বুকুত কঁপনি তোলে। তাইৰ স্বভাৱ অতি গহীন। চুইটীৰ দৰে সি হাঁহিব নোৱাৰে। সময় সুবিধা পালে দুয়ো কেলভিন চিনেমা হলত চিনেমা চায়।

সময়বোৰ বাগৰাৰ লগে লগে দুয়োৰো কথাৰ সুৰ সলনি হ'ল। দুয়োটাই নিজৰ নিজৰ সুখ- দুখৰ কথা পাতে। দুয়োটা যেন আৰু ওচৰ চাপি যায়।

"তোমা ঘৰত কোন কোন আছে বাহাদুৰ ?"

"নাই, বাবা সৰুতে মৰিছে। মা মই সৰু থাকোঁতেই অন্য এটা মতাৰ লগত গুচি গ'ল। ক'লৈ গ'ল ক'ব নোৱাৰো। মই লোকৰ ঘৰত থাকি ডাঙৰ হৈছো।"

ঘৰৰ গোপন কথাবোৰ সি চুইটীৰ আগত অকপটে কৈ পেলায়। এৰা, সিহঁতৰ বাঁহীৰ সুৰ একে সুৰতে বন্ধা। বাহাদুৰৰ মাকে তাক এৰি গ'ল আৰু তাইৰ বাপেকে তাইক এৰি গ'ল।

মাহৰ শেষৰ ফালে কেতিয়াবা তাইৰ দোকানৰ মাল আনিবলৈ টকা নাথাকে। বাহাদুৰে ধাৰলৈ দিয়ে। তাইৰ দোকানৰ বাকী উঠিলেই তাৰ ধাৰ পৰিশোধ কৰে। এদিন তাইৰ লগতে বাহাদুৰ সিহঁতৰ ঘৰলৈ গৈছিল। অচিনাকি নেপালী ল'ৰা এটা তাই লগত লৈ যোৱাৰ বাবে মাকে ভাল পোৱা নাছিল। কিন্তু বাহাদুৰৰ ব্যৱহাৰে মাকৰ মন একেদিনাই জয় কৰি পেলাইছিল।

"নমস্কাৰ মাইজী, মই চুইটীয়ে দোকান দিয়া অফিচটোৰ চকীদাৰ। কৰ্ণবাহাদুৰ থাপা মোৰ নাম।"

"তাই সদায় তোমাৰ কথা কৈ থাকে। আহিলা ভাল কৰিলা। বহা।"

বাহাদুৰক দেখি চুইটীৰ মাতৃ-হৃদয় উথলি উঠিছিল। চুইটীৰ ককায়েকটো যদি ঘৰতে থাকিলহেঁতেন! মাতৃপ্ৰধান জাতি। সম্পত্তিৰ অধিকাৰী ছোৱালীহে।

সময় আৰু বয়স কাৰো বাবে ৰৈ নাথাকে। চুইটী আৰু বাহাদুৰে জীৱনৰ জৰি একেটা উঘাতে মেৰিয়াবলৈ মন মেলিলে। তাই খোলা মনেৰেই মাকৰ আগত সকলো কথা ক'লে। মাক বিমোৰত পৰিছিল। বাহাদুৰ সুদূৰ নেপালৰ মানুহ। হয়তো তাইক চিৰ জীৱনৰ বাবেই হেৰুৱাব লাগিব। বিয়াৰ পাছত চুইটীক লৈ অচিন দেশলৈ গুচি যাব। মাকৰ আগত তাই দৃঢ়তাৰে ক'লে— তেওঁৰ ধাৰণাটো সঁচা নহয়। তাই ইমান অবোধ নহয়। বাহাদুৰৰ দেশত কোনো নাই। নিজৰ মাটি-বাৰীও নাই। সি চাকৰি নেৰে আৰু চুইটীকো এৰিব নোৱাৰে। লগতে ইয়াকো জনালে যে চুইটীক সি গীৰ্জাত বিয়া কৰাব। চুইটীৰ ধৰ্ম গ্ৰহণ কৰিব। কথা মতেই এদিন চুইটী আৰু কৰ্ণবাহাদুৰৰ গীৰ্জাত বিয়া হ'ল। বিয়াৰ ডেৰ বছৰৰ পাছতে জন্ম হৈছিল এলিজাৰ।

[চাৰি]

পাহাৰীয়া চঞ্চল নিজৰাৰ দৰেই এলিজাৰ মন। মাকতকৈয়ো ৰূপৱতী হ'ল এলিজা। তাইৰ ৰূপত ধ্যানৰত যোগীৰো ধ্যান ভংগ হোৱাৰ আশংকা।

বাৰ বছৰ বয়সত তাই হৈ পৰিছিল এজনী ষোল্ল বছৰীয়া গাভৰু। মাকৰ চিন্তা হ'ল মেৰী এলিজাৰ ৰূপৰ জুয়ে হয়তো তাইক এদিন পুৰিপেলাব। জৰ্জ কৰ্ণবাহাদুৰে ভাবিলে— তাৰ জীয়েকৰ বাবে ল'ৰা পোৱাত কোনো অসুবিধা নহ'ব। মাকে জানে ছোৱালীৰ ৰূপ, যৌৱন, অচিনাকি শত্ৰু। কোন সময়ত কেনেদৰে আক্ৰমণ কৰে, একো নিশ্চয়তা নাই।

মেৰী এলিজা পঢ়া-শুনাত সিমান বেয়া নহয়। ইংৰাজী তাই মাতৃভাষা কোৱাদি ক'ব পাৰে। সেই অনুপাতে হিন্দী, বাঙালী, হেনা-হুচাকৈ অসমীয়াও ক'ব পাৰে। আৰু এদিন হেনা-হুচাকৈ অসমীয়া ক'ব পৰা এলিজাই উজনি অসমৰ অসমীয়া সৰসৰাই ক'ব পৰা হ'ল। কাৰণ হ'ল সিহঁতৰ ভাৰা ঘৰত দুখন উজনি অসমৰ পৰিয়াল আছিল। আখৰ জোঁটাই পঢ়িবও পৰা হ'ল। অৱশ্যে বিজ্ঞান আৰু অংকত তাই একেবাৰে কেঁচা আছিল।

তাইৰ অন্তৰত আপোন-পৰ কোনো ভাব নাছিল। মানুহ হিচাপে তাই সকলোকে আপোন কৰি ল'ব পাৰে। হিন্দী চিনেমাৰ গানবোৰ ভালদৰে গাব পাৰে। বিহুনাম গাই ঢোল বজালে তাই নাচিবও পাৰে।

মাকৰ চাহ-তামোলৰ দোকান ভালদৰেই চলি আছে। বাপেকৰ চকীদাৰী চাকৰিটোও আছে। দুটা ঘৰৰ ভাৰা পায়। গতিকেই তাই অভাৱ কি বুজি নাপায়। তায়ে একমাত্ৰ ছোৱালী হোৱাৰ বাবে বৰ আদৰুৱা স্বভাৱৰ। কেতিয়াবা মাকৰ কিবা অসুখ-বিসুখ হ'লে মাকৰ দোকান চলোৱাত বাপেকক সহায় কৰি দিয়ে।

নৱকান্ত গোস্বামীয়ে ৰাজধানীৰ হাইস্কুল এখনত মাষ্টৰী চাকৰি এটা পালে। সেই সময়ত শ্বিলঙত ভাল ঠাইত ভাৰা ঘৰ পোৱাটো ইমান সহজ নাছিল। ঘৰ পালও উঠা-নমাৰ অসুবিধা, কোনোবা ঠাইত পানীৰ অভাৱ, কোনোবা ঠাইত ৰ'দ পোৱা নাযায়।

গতিকেই কম দামৰ হোটেল এখনত থাকিবলৈ লৈছিল। স্কুলৰ পৰা ওলায়ে ঘৰ বিচাৰি ফুৰিছিল। হোটেলৰ ভাত আৰু পৰিবেশে নৱকান্তক যেন নুসুজা হ'ল। শ্বিলঙীয়া হোটেল। ৰাতি ন-দহ বজাৰ পাছত পৰিবেশ সলনি হৈ যায়। মদ আৰু জুৱাৰ আড্ডা বহে আৰু লগতে বগী খাছীয়ানীবোৰতো আছেই। সি শিক্ষিত আৰু সংস্কৃতিবান পৰিয়ালৰ ল'ৰা। বংশগতভাৱেও সি উচ্চ বংশৰ। ডেকা ল'ৰা হিচাপে

সেই পৰিবেশ তাৰ বাবে হজম কৰাটো অতি কষ্টসাধ্য। ৰাতিটোৰ বাবে চল্লিশ-পঞ্চাশ টকাত পণ্যদ্ৰৱত যৌৱন বিক্ৰী কৰা ছোৱালী আনে। মদ, জুৱা আৰু বেশ্যাৰ বাহিৰেও শেষৰ ফালে মৰামৰিও হয়। সেইবোৰ ঘটনাই তাক পাগল কৰি তুলিছিল। একোবাৰ চাকৰি এৰি দি গুচি অহাৰ কথা চিন্তা কৰিছিল।

সচিবালয়তে সিহঁতৰ ওচৰৰে ল'ৰা এজনে চাকৰি কৰে। আৰু সিয়ে এদিন দুইটীহঁতৰ ঘৰ এটা ভাৰাত ঠিক কৰি দিলে। দুইটীয়ে যাকে-তাকে ঘৰ ভাৰালৈ নিদিয়ে— বিশেষকৈ ডেকা ল'ৰাক। কাৰণ ঘৰত ৰূপহী গাভৰু ছোৱালী আছে। ভৈয়ামৰ ডেকা ল'ৰাৰ কোনো বিশ্বাস নাই।

ধানখেতি বা প্ৰফেচাৰ ক'লনীবোলা ঠাইখন ওখ টিলা এটাৰ ওপৰত। ঘাই পথৰ পৰা দীঘলীয়া খটখটিয়ে এখন বগাই যাব লাগে। পানীৰ বাবে সামান্য অসুবিধা যদিও ৰ'দ ঠিকমতেই পোৱা যায়। অকণমান— মানে আইন মহাবিদ্যালয়ৰ ওচৰলৈ নামি আহিলেই প্ৰয়োজনীয় সকলো বস্তু পোৱা যায়।

ঘৰটোৰ কোঠা দুটা। এটা সৰু, এটা ডাঙৰ। এজন মানুহৰ বাবে তাতকৈ ডাঙৰ ঘৰৰ কোনো প্ৰয়োজন নাই। ৰন্ধাৰ বাবে এখন চালি আছে।

নৱকান্তই ঘৰ লৈয়ে ভালেমান সমস্যাৰ সন্মুখীন হ'ল। তাৰ শোৱা বিছনাখনৰ বাহিৰে একো নাই। সেয়ে এজনীয়া খাটখনৰ লগতে চকী, টেবুল এযোৰ কিনি ল'লে। শোৱা-বহাৰ ব্যৱস্থা এটা হ'ল যদিও ৰন্ধা-বঢ়াৰ বাবে দেখোন বহুত বস্তু লাগিব। গোটেইবোৰ যোগাৰ কৰিবলৈও অতি কমেও তিনি-চাৰিশ মান টকাৰ প্ৰয়োজন হ'ব।

নতুন ঘৰৰ নতুন বিছনাত বাগৰ দিয়ে যেন সি সৰগীয়া আনন্দ পালে। সেই সময়ত তাৰ বাবে হয়তো স্বৰ্গসুখো সিমান আনন্দৰ নহ'লহেঁতেন। নিৰিবিলি পৰিবেশটোৱে তাক ঘৰলৈ মনত পেলাইছিল। তাৰ ঘৰ তেতিয়া বহুত দূৰত। এনে নিৰিবিলি পৰিবেশ কাক কয়, সি পাহৰিয়েই পেলাইছিল। হোষ্টেলত আছিল। স্কুলৰ পৰা ওলায়ে বতৰ ভালে থাকিলে কোনো লেকৰ পাৰত বহি সৰল গছৰ পাত লেখিছিল। কেতিয়াবা চিনেমা হলত সোমাই সময়বোৰ পাৰ কৰিছিল। কোনোবা দিনা লাইব্ৰেৰীত সোমাই বাতৰি কাকত চাইছিল। বাৰে বাৰে তাৰ মনলৈ হোষ্টেলৰ পৰিবেশটো আহিছিল। মাত্ৰ দুটা মাহ। দুটা মাহতে সি বলিয়াৰ দৰে হৈ পৰিছিল। নাই, যোৱা কথাবোৰ চিন্তা কৰি একো লাভ নাই। তাৰ চকু দুটা আপোনা-আপুনি জাপ খাই আহিছিল। ওঁহো তথাপি দেখোন মনটো ভাল লগা নাই। তামোল এখন খোৱাৰ দুৰ্বাৰ ইচ্ছা হোৱাত জেপত আছে নেকি খুচৰি চালে। তাই। তাৰ লগে লগেই সি অনুভৱ কৰিলে তাৰ অসম্ভৱ ভোক লাগিছে। দীঘলীয়া চিৰিখনেৰে কে'বাবাৰো উঠা-নমা কৰোঁতেই তাৰ আধ্যা পৰিছিল। হাতৰ ঘড়ীটোলৈ চালে— ছয় বাজি গৈছে। চাহ একাপ খাবলৈ পোৱা হ'লে ভাল আছিল। ৰাতিৰ ভাতো

হোটেলত খাই আহিব লাগিব। সেয়ে ওলাই যাবলৈ ধৰিও বিমোৰত পৰিল। দৰ্জাত লগাবলৈ তলা নাই। কি কৰিব এতিয়া? এলিজাহঁতো ঘৰত নাই। ব্যস্ত মানুহ। ৰাতিপুৱা ছয়-সাত বজাতে সকলো ওলাই যায়। সন্ধিয়াহে ঘৰ সোমাইহি। কিন্তু তলা নমৰাকৈ এৰি গ'লেনো তাৰ কিটো নিব? বিছনাখন? পিন্ধা কাপোৰ কিযোৰ। তেনেকৈ বাহিৰ-ভিতৰ কৰি থাকোঁতেই এলিজাৰ মাকে পিঠিত হোৰা লৈ চিৰি বগাই উঠি অহা দেখা পালে। বাহিৰত নৱকান্তক দেখা পায়ে হাঁহিৰে সম্ভাষণ জনাই সুধিলে—

"বাবু বজাৰত যাবি হ'বলা? আহিলি কেতিয়া?"

"তিনি বজা মানতে আহিলো। তলৈ যাবলৈ লাগিছিল, কিন্তু....!"

"কি হ'ল আৰু?"

"মানে দৰ্জাত লগাবলৈ তলা নাই।"

"সেইটো কি ডাঙৰ কথানো। কোনো দৰ নাই। চিন্তা কৰিব নালাগে। আভি ডবল তলা আহি গৈছে।" চুইটীয়ে হাঁহি হাঁহি ক'লে।

চুইটীৰ কথা শুনি সিয়ো হাঁহিলে। সি বুজিলে ডবল তলা মানে চুইটী থাকিলে কোনো ভয় নাই আৰু তাই নামি নাযায়।

তেল ডিপোটোৰ কাষত থকা সৰু চাহৰ দোকানখনত চাহ আৰু চাউলৰ গুৰিৰে বনোৱা পিঠা এখন খালে। মনলৈ আকৌ খেলিমেলি চিন্তাবোৰ আহিবলৈ ধৰিলে। বহুত বস্তু কিনিব লাগিব। টকা মাত্ৰ এশমানহে আছে। দৰমহা পাবলৈও কেইবাদিনো বাকী। কি কৰিব এতিয়া? তামোল কিনিবলৈ দোকানৰ আগত থিয় হোৱাত কংজনীয়ে তামোল এখনৰ লগতে চিগাৰেট এটাও আগবঢ়াই দিছিল। কোনো দিনে চিগাৰেট ছুপি নোপোৱা নৱকান্তই নিজৰ অজ্ঞাতেই চিগাৰেটটো হাত পাতি ল'লে। সন্ধিয়াৰ হিমসনা বতাহজাকে তাক কঁপাই দিছিল। চিগাৰেট জ্বলাই প্ৰথম হোপোটো মাৰোঁতেই তাৰ কাহ উঠিল। গাটোত কিবা ৰিমঝিমনি এটা উঠিছিল। কাণ-মূৰ গৰম অনুভৱ কৰিছিল।

তাৰ পাছত ধোঁৱাবোৰ এনেয়ে ওপৰলৈ ফু কৰি এৰি দিছিল। এৰা, চিগাৰেট খোৱাতো এটা নতুন আমেজ আছে। চিগাৰেট ছুপি থাকোঁতেই মনলৈ আহিল এই মাহটো খোৱা-বোৱা হোটেলতে কৰিব। তাক দেখা পায়ে হোটেলৰ মালিক সৰকাৰে মাত লগালে—

"আসুন, আসুন মছাই, বোধহয় হোটেলে খাওতা আৰ হবেনা!"

"নহয় আপোনাৰ হোটেলৰ মাছৰ জোলৰ সোৱাদ পাহৰিব পাৰি জানো?"

"লজ্জা দিছেন কেন। তবে আমাৰ হোটেলেৰ মাছেৰ ঝোলটাৰ স্বাদতাই আলদা। মনে হচ্ছে খেতে আছলেন!"

"হয় থকাৰ ব্যৱস্থাটো কৰিছো। কিন্তু ৰন্ধা-বঢ়াৰ ব্যৱস্থা কৰিব নোৱৰালৈকে

আপোনাৰ হোটেলতে খাব লাগিব। তাৰ বাবে আগধন জমা দিব লাগিব নেকি ?"

"দিতে পাৰলেতো কথা ভালই, না দিলেও চলবে।"

হোটেলত খোৱাৰ কথা কৈ ওলাই গ'ল। ভাত খাই মালকী, মানে তাৰ ভাবা ঘৰ পায়গৈ মানে ৰাতি দহমান বাজিছিল। আঠ-ন বজাতে শোৱাৰ অভ্যাস। তাৰ অহাত পলম হোৱাৰ বাবে তাইৰ খঙো উঠিছিল। মেলা দুৱাৰ এৰি শুবলৈকো মন যোৱা নাছিল।

"বাবুৰে বহুত দেৰি কৰিলি ? কিয় ?"

ঘৰ সোমাওতে ৰাতি পলম হ'লে তাৰ মাকেও এনেকৈয়ে বকিছিল। 'শ্বিলঙটো ৰাতিৰ বাবে ভাল ঠাই নহয়। আজিৰ পৰা পলম নকৰিবি।"

"হোটেলত ভাত খাওঁতে পলম হ'ল আৰু চিটিবাছ নোপোৱাৰ বাবে পুলিচ বজাৰৰ পৰা খোজ কাঢ়ি আহিলো।"

"চব দিনেই হোটেলতে খাবি নেকি ?"

"খাব লাগিব। ৰান্ধিব জানিলেহে ৰান্ধি খাম"

"তেতিয়াতো বহুত টকা লাগিব।"

তাৰ হাত দুখন বৰফ যেন হৈ যোৱাৰ বাবে চুইটীৰ আগত থকা চুলাটোতে হাত সেকিবলৈ বহিল। চেঁচাবোৰে তাক বেজীয়ে বিন্ধাদি বিন্ধিছিল। কাতি মাহতে ইমান ঠাণ্ডা। আঘোণ-পুহত কেনেকৈ থাকিব। অৱশ্যে ভৈয়ামত গৰমৰ বন্ধ দিয়াৰ দৰে শ্বিলঙত ঠাণ্ডাৰ বন্ধ দিয়ে। তেতিয়া সি ঘৰলৈ গুচি যাব।

"গুৱা খাবিনেকি ?"

"খাম। আমিয়ো দেখোন তামোলকে গুৱা বুলি কওঁ।"

"আমাৰ পৰাই তহঁতৰ মানুহে শিকিলে। তোৰ ভাত ৰন্ধাৰ যোগাৰ আছেনে নাই ? ভাত ৰন্ধাৰ মানুহ যোগাৰ কৰি দিব পাৰো। পঞ্চাশ টকাকৈ লাগিব। তাই হ'লে ভাত নাখাব।"

"আগতে ৰন্ধাৰ বস্তুবোৰ যোগাৰ কৰিব লাগিব। লাগিলে ক'ম বাৰু।"

চুইটীয়ে দুবাৰ মান দীঘলীয়াকৈ হামি মাৰিলে। তাইৰ ভাগৰ লাগিছে। লাগিবৰে কথা। দিনৰ দিনটো অফিচত চাহ-তামোল দি ঘূৰি ফুৰে। শ্বিলঙৰ চাহৰ সোৱাদেই বেলেগ। ভৈয়ামৰ দৰে হোটেলবোৰত ৰাতি পুৱাই বনোৱা চাহতে পানী ঢালি সিজাই নাথাকে। দুবাৰমান চাহ কৰিয়েই চাহ বনোৱা বাচনবোৰ ভালদৰে ধুই পেলায়। খাটী গৰুৰ গাখীৰ।

শ্বিলঙৰ বৰফ যেন চেঁচা বাতি। আকাশখন ভৈয়ামৰ ঘোৰ অন্ধকাৰ ৰাতিৰ দৰে হৈ আহিছে। ফিৰফিৰ কৰে সেমেকা বতাহ জাকে গোটেইখন পহম যেন কৰি পেলাইছে। ৰাস্তাৰ কাষৰ লাইটবোৰ একোটা অনুজ্জ্বল তৰাৰ দৰে টিমিক-টামাককৈ জ্বলি আছে। বহুত দূৰৰ পৰা কুকুৰৰ মাত বৈ বৈ ভাহি আহিছে।

ভয়লগা গহীন পৰিবেশ। এই পৰিবেশৰ লগত নৱকান্তই কোনো দিনেই চিনাকি নাছিল।

বিছনাত পৰিয়েই বৰকৈ ঘৰলৈ মনত পৰিছিল। ঘৰৰ পৰা অহা তিনি মাহমান হ'ল।

[পাঁচ]

কাতি মহীয়া শ্বিলঙৰ আকাশ। গাভৰু ছোৱালীৰ মন আৰু শ্বিলঙৰ আকাশৰ বিশ্বাস নাই। অন্ধকাৰময়। হিমবোৰ তেতিয়াও বৰষুণৰ দৰে সৰি আছিল। দুহাত অন্তৰত থকা বস্তুকো ভালদৰে চিনি নোপোৱা অন্ধকাৰ। সেইদিনা দেওবাৰ, গতিকে উঠাত তাৰ পলম হৈছিল। নতুন ঠাই হিচাপে ৰাতি টোপনি আহোঁতেও বহুত পলম হৈছিল। কোমল কম্বলখন কাণে-মূৰে মেৰিয়াই লৈ বাহিৰলৈ আহিল। ৰাতিপুৱা সাতমান বাজিছিল। শুকুলা বৰফবোৰ চ'তৰ কমোৱা তুলা উৰাদি উৰি ফুৰিছিল। উৰি উৰি ঘন নীলা পাইন গছৰ চিৰলা-চিৰলি পাতৰ আঁৰত সোমাই পৰিছিল। একোবাৰ পাইনৰ গছবোৰ ডাঠ কুঁৱলীয়ে আঁকোৱালি ধৰি চুমা খাইছে। কুঁৱলী ভেদি ভুমুকি মৰা সূৰ্যৰ পোহৰ পৰি অন্য এক বৰ্ণনাহীন সৌন্দৰ্যৰ সৃষ্টি কৰে। কোনো এক মুহূৰ্তত পাহাৰৰ নীলাম্বেৰ কুঁৱলীয়ে ঢাকি ধৰে যেনেকৈ ঘন ক'লা দীঘল চুলিটাৰিয়ে গাভৰু ছোৱালীৰ ধুনীয়া মুখখন ঢাকি ধৰে। কৃষ্ণ নীলা কুঁৱলীয়ে প্ৰকৃতিৰ সৌন্দৰ্যক যেন মৰমেৰে আলিঙ্গনহে যাচিছে।

শান্ত শিশুৰ দৰে শ্বিলঙৰ ৰাতিপুৱা। লাইটু মুখৰাৰ গীৰ্জাৰ ৰাতিপুৱাৰ পবিত্ৰ ঘণ্টা ধ্বনি তেতিয়াও প্ৰতিধ্বনিত হৈ আছিল। সেই অপূৰ্ব মধুৰ ঘণ্টাধ্বনিয়ে অশান্ত মনলৈকো পৃথিৱীৰ অনাবিল শান্তি কঢ়িয়াই আনিছে। সঁচাই দেহ-মন পবিত্ৰ কৰা সেই ধ্বনি। শুনি থাকিবলৈ মন যোৱা, মধুৰ সংগীতৰ দৰে প্ৰাণময়। হয়, এনেকুৱা শান্তিৰ পৰিবেশ সি বিগত জীৱনত কোনো দিনেই উপভোগ কৰা মনত নপৰে। কোনো এক মহাঋষিৰ পবিত্ৰ বেদধ্বনিৰ দৰেই সুমধুৰ সেই ঘণ্টাধ্বনি। আজি তিনি মাহে শ্বিলঙত থাকিয়ো সি এনে এখন মেঘকন্যাৰ নন্দন কানন দেখা নাছিল।

আৰু অলপপৰ পাছতে হয়তো এই মধুৰ পৰিবেশটোৰ অকাল সমাধি ঘটিব। এই শান্ত পৰিবেশটো বিজ্ঞানৰ যান্ত্ৰিক সভ্যতাই পদদলিত কৰি পেলাব। কথাটো ভাবি তাৰ বৰ বেয়া লাগিল।

সি থকা ঠাইৰ পৰাই লাইটু মুখৰাৰ ব্যস্ত চিটিবাছৰ ষ্টপেজটো সুন্দৰ কৰি দেখা পায়। অলপ পাছতে শুই থকা শ্বিলংখনে সাৰ পালে। সেই বোৱাৰী পুৱাতে পিঠিত আলু, কচু, কবি, মূলা আদি নানাবিধ শাক-পাচলিৰ মেটমৰা হোৱা লৈ কৰ্মপটু বগী খাছীয়ানীবোৰ খুপি খুপি পাহাৰৰ টিঙৰ পৰা নামি আহিছে। সি চাহ খাবলৈ

আহি তিনি আলিটোত থিয় হৈছিল। কংহঁতৰ গালবোৰত যেন এসোপামান সেন্দূৰ সানি লৈছিল। ওঁঠবোৰ তামোলৰ বোলেৰে ৰঙা। তাৰ পাছে পাছে ৰঙা গামোচাৰে কাণ-মূৰ বান্ধি, দুয়োহাতত গাখীৰৰ জগ লৈ নেপালী ডেকা-গাভৰুৰ জাক।

চিটিবাছ, টেঞ্জী। লেখি যেন শেষ কৰিব নোৱাৰি। ৰাতিপুৱাৰ কোমল ৰ'দজাকে মানুহৰ দেহ-মন সজীৱ কৰি তুলিলে। বতাহত কয়লা কয়লা গোন্ধটো তাৰ বৰ ভাল লাগিল।.....

দিনবোৰ সময়ৰ সোঁতত উৰি যোৱাৰ লগে লগে নৱকান্তৰ লগত এলিজাহঁতৰ আন্তৰিকতা গঢ়ি উঠিছিল। এলিজাই তাক 'মামা' বুলি মাতিবলৈ আৰম্ভ কৰিলে। চুইটীয়ে কিন্তু তাক মাষ্টাৰ বাবু বুলিয়েই মাতে।

"মাষ্টৰ বাবু!"

"কোৱা, কিবা ক'বা বাইদেউ ?"

"মানে আমাৰ এলিজাক অলপ অংক শিকাই দিব লাগে, পাৰিবানে? আমি গৰীৱ মানুহ, টকা হ'লে দিব নোৱাৰিম।"

"শিকাম বাৰু। কিন্তু মই টকা দিলেও নলওঁ।"

এলিজাৰ মাক অতি সৰল স্বভাৱৰ মানুহ। যাক ভাল পায় তাৰ প্ৰতি অগাধ বিশ্বাস থাকে। পাহাৰীয়া মানুহৰ সেই বিশ্বাস অসমীয়া নামধাৰী কিছুমানে ভংগ কৰি সৰ্বনাশ মাতি আনিছে।

"মোৰ কিন্তু সময় বৰ কম। তাতে ৰাতিপুৱা ভাত বান্ধোতেই পাৰ হয় আৰু সন্ধিয়া মই যেতিয়া আহোঁ; তেতিয়া দেখোন তোমালোকৰ শোৱাৰ সময় হয়েই। তাৰ ভিতৰতে —"

"আপুনিনো ইমান ৰাতিলৈ কিয় বাহিৰত থাকে মামা, আমাৰ এই মুলকীটো ভাল ঠাই নহয় কিন্তু, কেতিয়াবা মজা বাহিৰ হৈ যাব।"

এলিজাই নৱকান্তক সঁকীয়ালে। সি তাইৰ ফালে চাই হাঁহি মাৰি ক'লে— "ইয়াত আহিনো কি কৰিম? কাৰ লগত কথা পাতিম?"

"এলিজা দেখোন তিনি বজাতে ঘৰলৈ আহে। তোমাৰো স্কুল ছুটী তিনি বজাতে। ছুটী নহয় জানো?"

চুইটীয়ে ক'লে। নৱকান্ত যেন বন্দী হ'ল। গতিকেই হাঁহিৰে মোখনি মাৰি বজাৰ কৰাৰ বাবে হাতত বেগ লৈ তললৈ নামি গ'ল।

মেৰী এলিজাই সপ্তম শ্ৰেণীত পঢ়ে। ইংৰাজী মাধ্যমৰ স্কুল এখনত পঢ়ে। চিনি নোপোৱা মানুহে দেখিলে তাইক কলেজত পঢ়া ছোৱালী বুলি ভুল কৰিব। কাৰণ তাই বয়সতকৈ বহুতো আগবাঢ়ি গৈছে। ঘৰত থাকিলে খাছীসকলৰ জাতীয় পোছাক পিন্ধি থাকে, স্কুললৈ যোৱাৰ সময়ত বগা চার্ট, নীলা স্কার্ট আৰু ৰঙা চুৱেটাৰ পিন্ধি যায়। এটা কথা মানিব লাগিব যে খাছীসকলৰ জাতীয় পোছাক অতি উচ্চ খাপৰ। সেই সাজে ছোৱালীৰ ৰূপ, সৌন্দৰ্য বঢ়াই সঁচা, কিন্তু শালীনতাৰ সীমা

সামান্যতমো অতিক্ৰম নকৰে। আঠুৰ পৰা তলছোৱা, হাতৰ ঠাবি আৰু মুখখনৰ বাহিৰে দেহৰ কোনো অংগই ওলাই নাথাকে।

এলিজাক অসুন্দৰী বোলাৰ কোনো অৰ্থ নাই। সৌন্দৰ্যৰ ৰাণী বুলি ক'লে তাই লাজতে ৰঙা-পমি যাব খোজে। সাধাৰণতে খাছী ছোৱালীবোৰ নৃতাত্ত্বিক দিশৰ পৰা চালে আগে-গুৰিয়ে সমান। কিন্তু এলিজা তাৰ ব্যতিক্ৰম। অসমীয়া ৰিহা-মেখেলা পিন্ধাই দিলে তাই যে খাছী ছোৱালী কোনেও কোৱাব সাধ্য নাই। নিপুণ শিল্পীৰ তুলিকাত সৃষ্টি হোৱা ছবি এখনৰ দৰে ধুনীয়া। ৰূপৰ কোনো শাব্দিক বৰ্ণনা নোহাৱা ৰূপৱতী।

সন্ধিয়াৰ আগতে ঘৰ পাবহি বুলি কৈয়ো নৱকান্ত আহোঁতে বহুত পলম হ'ল। শ্বিলঙত পুৰণি হৈ অহাৰ লগে লগে চিনাকি মানুহৰ সংখ্যাও বাঢ়ি গৈছে। নতুন নতুন বন্ধুৰ ঘৰলৈ যোৱাৰ বাবেই অহাত পলম হয়। আনহাতে বেলি ডুবাৰ আগতে পাহাৰৰ টিঙত উঠি কৰিব কি ? তাচ-পাশা খেলাৰ বাবেও লগ নাই।

তাৰ বাবে এলিজাই কে'বাদিনো বাট চালে। কথা দি কথা ৰাখিব নোৱৰাৰ বাবে তাইৰ তাৰ ওপৰত খং উঠিল।

শনিবৰীয়া স্কুল ছুটীৰ পাছত সেইদিনা নৱকান্ত ক'লৈকো নগৈ পোনে পোনেই ঘৰলৈ আহিল। কানি-কাপোৰ খুলি, এড়ী চাদৰখন গাত লৈ বিছনাতে কিবা আলোচনী এখনৰ পাত লুটিয়াই বহি আছিল। বতাহ্ এছাটিৰ দৰে এলিজা তাৰ ৰুমত প্ৰৱেশ কৰি প্ৰশ্ন কৰিলে— “আপোনাৰ কথাৰ বোলে কোনো বিশ্বাস নাই ?”

“মানে ?” নৱকান্তই বিমোৰত পৰিল।

“সদায় দেৰিকৈ আহে কিয় ?”

“সোনকালে আহি ঘৰত আঁৰি থোৱা কেলেণ্ডাৰৰ ছবিবোৰৰ লগত কথা পাতিলেহে হ'ব ?”

“কিয়, আমি নাথাকো নেকি ? আমাৰ লগত কথা পাতিলে আপোনাৰ জাত যাব নেকি ? আমাৰ লগত দেখোন আপুনি ভালদৰে কথাই নাপাতে। আমি সৰু মানুহ। পাহাৰী মানুহক আপোনালোকে বৰ সৰু বুলি ভাবে নহয় ?”

“তই মাষ্টৰ বাবুক তেনেকৈ কিয় কৈছ, বেয়া পাব।”

“নাই, নাই কিয় বেয়া পাম। তাই অতি সৰু ছোৱালী। তাইকো জানো মানুহে বেয়া পাব পাৰে। আৰু এলিজাই কোৱা কথাবোৰ মোৰ বোধেৰে সঁচাই। তুমি খং নকৰিবা এলিজা। মই কথা দিছো, আজিৰ পৰা ছুটীৰ পাছতে ঘৰলৈ আহিম বাৰু।”

“মোক অংক শিকাবনে বাৰু ?”

“ও, নোৱাৰিলে কিন্তু.....”

“কি কৰিব ? মই যে বৰ দুষ্ট ছোৱালী। মোক শিকাব পাৰিব জানো ?”

“দুষ্টামি কৰিলে শান্ত কৰাৰ মেডিচিন মোৰ আছে।”

"মাৰিবনে কি? মাৰিলে কিন্তু জোৰ কৰি নামাৰিব। জোৰ কৰি মাৰিলে মই দুখ নাপাম জানো? মই কান্দিলে আপুনি ভাল পাব জানো? মই কিন্তু অংক একো বুজি নাপাওঁ।"

"এলিজা তুমি তেনেকৈ কিয় কৈছা! নেপায় নহয় তেনেকৈ ক'ব? অংক ভালদৰে বুজালে কিয় বুজি নাপাবা। তুমি মোৰ ওচৰত শিকিবলৈ আহিবা।"

এলিজাৰ মাকে হাতত চাহ আৰু পিঠা এখন লৈ সোমাই আহি ক'লে— "চাহ খোৱা মাষ্টৰ বাবু। এইজনী বৰ পাতল ছোৱালী।"

"কোমল বয়সৰ ছোৱালী। ডাঙৰ হ'লে নিজেই ভাল হ'ব।"

"এৰা, মাত্ৰ চৈধ্যটা বছৰহে হৈছে।"

[ছয়]

অৱশেষত এলিজাহঁতৰ পৰিয়ালৰ লগত নৱকান্তৰ ভেদাভেদ নোহোৱাৰ দৰেই হৈ পৰিছিল। বন্ধাৰ প্ৰতি নৱকান্তৰ সকৰে পৰাই এলাহ আৰু সঁচা অৰ্থত সি বন্ধন বিদ্যাত অতি কেঁচা। গতিকেই 'পেয়িং গেষ্ট' হিচাপে সিহঁতৰ ঘৰতে খোৱা হ'ল। বন্ধু-বান্ধৱবোৰে সেই বাবে নৱকান্তক, ঘৰজোঁৱাই বুলি ঠাট্টা-মস্কৰাও নকৰা নহয়। কিন্তু সি সেইবোৰ হাঁহি উৰুৱাই দিছিল। এলিজাহঁতৰ ঘৰত ৰাতিপুৱাৰ চাহ সিমান ধৰা-বন্ধা নিয়মৰ মাজত খোৱা নহয়। অথচ ৰাতিপুৱাৰ চাহ কাপ তাৰ বাবে অতি প্ৰয়োজন। গতিকে চাহৰ যোগাৰটো সি গোটাই লৈছে। গাখীৰ গোৱালনীয়ে সি বিছনা এৰাৰ আগতে এলিজাহঁতৰ ঘৰতে দি যায়। সিহঁতেই গৰম কৰি থয় আৰু চাহৰ পানী তুলি দিয়েই সি এলিজাক চিঞৰ ধৰে। ৰাতিপুৱাৰ চাহৰ লগত এলিজাৰো নিচা বহিল। গতিকে গাখীৰ দিবলৈ অহা মানে চাহ চকা-বকা কৰি তাকো দিয়ে আৰু তায়ো খায়।

নৱকান্ত গোস্বামী অতি দেখনিয়াৰ ল'ৰা। ৰূপে-গঢ়ে গাভৰু ছোৱালীৰ চকুত পোৰণি তোলা। সত্ৰীয়া গোসাঁইৰ ল'ৰা। তাত শ্বিলঙীয়া পৰিবেশে আৰু দেখিবলৈ দেৱকুমাৰ যেন কৰি তুলিছে।

ঘৰত থাকোঁতে তামোল এখনো নোখোৱা ল'ৰাটোৱে চিগাৰেটৰ লগতে সন্ধিয়া বেলিকা হোটেলৰ বাৰত সোমোৱা হ'ল। অৱশ্যে ভাল গুণো তাৰ নোহোৱা নহয়। হিন্দী, অসমীয়া যিকোনো গানকে সি মন পৰশা কৰি গাব পাৰে। কলেজত পঢ়োতে বৰগীত গাই পুৰস্কাৰো পাইছিল। শ্বিলঙলৈ আহি এজন খাছীয়া বন্ধুৰ পৰা ধুনীয়াকৈ বাঁহী বজাবলৈকো শিকিলে। যিকোনো ভাষাৰ লোকগীত বা হিন্দীৰ গান সি বাঁহীতো বজাব পাৰে। তাৰ বাঁহীৰ সুৰত শ্বিলঙৰ শিলেও তিনি পাক নাচে।

"আপুনি ইমান ধুনীয়াকৈ গান গাব পাৰে! ছবি আঁকিব পাৰেনে?"

"গান মই বৰ ভাল পাওঁ। ধুনীয়াকৈ গাব পাৰোনে নোৱাৰো ক'ব নোৱাৰো। শুনোতাই ভালনে বেয়া ক'ব পাৰিব। নাই, ছবিৰ নামত হাঁহৰ ঠেং এটাও আঁকিব নোৱাৰো। তুমিয়ো গান বৰ ভাল পোৱা নেকি ?

"ঔ আই, গাননো কোনে ভাল নেপায়। গান ভাল নোপোৱাবোৰ মানুহ নহয়, শিলহে। সেই মানে আপুনি দুখৰ গানবোৰ কিয় ইমানকৈ বাঁহীত বজায় ?"

"ক'লে বুজিবা জানো ?"

"নুবুজাকৈ ক'লে কেনেকৈ বুজিম। বুজাই দিব ?"

"অন্তৰে কাৰোবাক অতি কাষতে বিচাৰে। কিন্তু বিচাৰিলেই পোৱা যায় জানো ?"

"চব বস্তু বিচাৰিলে নোপোৱা অৱশ্যে।"

"নেপালেই অন্তৰত আঘাত লাগে। আঘাত লাগিলেই অন্তৰে কান্দিবলৈ বিচাৰে। গতিকে মই যদি কান্দো মানুহে মোক পাগল বুলি নক'ব জানো ? গতিকে মুখেৰে নাকান্দি বাঁহীৰ মাধ্যমেদি কান্দো।"

"ইমান টান কথাবোৰ মই বাৰু কেনেকৈ বুজিম।"

"তোমাৰ কেতিয়াবা দুখ লাগেনে বাৰু ?"

"কিয় নালাগিব ? মই জানো মানুহ নহয়। মোৰ জানো অন্তৰ এখন নাই।"

"বাহ বঢ়িয়া কথাবোৰ কৈছা দেখোন। তুমি যে ইমান ভাল ভাল কথাবোৰ জানা, মই বুজাই নাছিলো।"

সেইদিনা কোনোবা স্থানীয় গাওঁবুঢ়া এজনৰ মৃত্যু হোৱাৰ বাবে স্কুলবোৰ হাফ দিছিল। এলিজাক পুলিচ বজাৰৰ ছয় আলিটোৰ কেঁকুৰীটোতে পালো। টেক্সী এখন লৈ দুয়ো ঘৰ পালেহি। তাই স্কুলৰ কাপোৰ সলাই ঘৰুৱা পোছাক পিন্ধিলে। সিয়ো কাপোৰ সলাই ল'লে। মে' মাহৰ শ্বিলং। দিনত গৰম, কাপোৰ নহ'লেও চলি যোৱা ঠাণ্ডা। ৰাতি অৱশ্যে পাতল লেপ ল'ব লাগে। বাহিৰলৈ গ'লে ছাতি নোলোৱাকৈ যাব নোৱাৰি। কোন মুহূৰ্তত বৰষুণ পৰে একো ঠিক নাই।

"চাহ নোখোৱা জানো ?"

"বনাব লাগিবনে বনাইছেই ?"

"আমাৰ ভাষাত কি কয় জানা— শুদিৰ থাকোঁতেই বামুণে হাল নাবায়।"

"একো বুজি পোৱা নাই।"

"দুষ্টজনী ক'ৰবাৰ। হ'ব বাৰু, কেতিয়াবা ভালকৈ বুজাই দিম। চাহ মই বনোৱা নাই। বনাব লাগিব। তোমালোকৰ ঘৰতে বনাবানে না মোৰ ইয়াতে বনাবা ?"

"আমাৰ ঘৰত আজি একোৱে যোগাৰ নাই। আৰু মই সদায় সদায়...."

"সদায় সদায় মানে ?"

"নকওঁ যাওক। ক'লে কিজানি আপুনি বেয়া পাব।"

"ওঁহো, নাই— আনক বেয়া পালেও তোমাক নেপাওঁ।"

"কিয় ?" তাই চকুলৈ চাই হাঁহি হাঁহি ক'লে।

"তুমি ইমান মৰম লগা সৰু ছোৱালী।"

"ইহ!" বুলি কৈ তাই পাহাৰীয়া নিজৰাৰ দৰে খিল্‌খিলাই হাঁহিবলৈ ধৰিলে। হাঁহি হাঁহি যেন তাই বাগৰি পৰিব!

"এলি, তুমি এনেকৈ হাঁহিছা কিয়?"

"আপোনাৰ কথা শুনি কাৰ হাঁহি নুঠিব?"

"কিবা নক'বলগীয়া কথা ক'লো নেকি?"

"ওঁহো, নাই কোৱা।"

"কথাটো ইমান ৰহস্যময় কৰি পেলাইছা কিয়?"

"আচলতে কি জানে, আমি পাহাৰীয়া ছোৱালী। সহজ-সৰলেই আমাৰ জীৱন। হাঁহিয়েই আমাৰ শক্তি। পৃথিৱীত যেন আমাৰ কেৱল হাঁহিবলৈহে জন্ম হৈছে। আৰু কি জানে, মই আপুনি ভবাৰ দৰে সৰু ছোৱালী হৈ থকা নাই। মোৰ লগৰ ছোৱালীৰ দুটা-তিনিটা ল'ৰা-ছোৱালী হৈছে।"

"তাৰ মানে তুমি গাভৰু হ'লা?"

"যাহ, ল'ৰা মানুহ ইমান অঁকৰা হয় নেকি?"

এলিজাৰ কথাষাৰে নৱকান্তক সঁচাই চিন্তাত পেলালে। তাক আৰু তাৰ পৌৰুষত্বক অপমান কৰা যেন লাগিল। তাৰ মানে, তাই? সিয়ো একুৰি ছয় বছৰীয়া ডেকা ল'ৰা। গাভৰু ছোৱালীৰ চকুৰ ভাষা সিয়ো বুজি পায়। এলিজাৰ ভাষাও সি নুবুজাকৈ থকা নাই। কিন্তু সি মাষ্টৰ। এলিজাৰ মাকক বাইদেউ বুলি মাতে। এলিজাৰ ৰূপে তাক আমনি নকৰাকৈ থকা নাই। অথচ কিবা এটা অজান কাৰণত সি আগবঢ়া নাই। সঁচা কথাত সি তাইক বৰ গভীৰভাৱে ভাল পাই পেলাইছে। তাইৰ আপোনভোলা স্বভাৱে তাক মুগ্ধ কৰিছে।

"আমনি দিছো। বেয়া নাপাব। যাওঁ, ঘৰত কাম আছে। পানী আনিব লাগিব।"

"বুজিছো। কিন্তু চাহ নোখোৱাকৈ যাব নোৱাৰা।"

"বেয়া নাপাব, সদায় সদায় খোৱাটো বৰ বেয়া কথা। আপুনি আমাৰ ঘৰত এনেয়ে থকাও নাই খোৱাও নাই।"

"দুষ্টজনী ক'ৰবাৰ।" সি তাইৰ হাতী দাঁতৰ দৰে মিহি হাত এখনত থাপ মাৰি ধৰিলে। তাই এৰাই যাবলৈ মৃদু চেষ্টা কৰি কৰি বাহিৰলৈ চাই ক'লে, "এৰি দিয়ক না? কোনোবাই দেখিলে কি হ'ব?"

"দেখক, তাৰ কাৰণে মই ভয় নকৰো।"

"মই ছোৱালী। মোৰ ভয় লাগে। ভৈয়ামৰ ডেকা ল'ৰাৰ কোনো বিশ্বাস নাই। ধুনীয়া ছোৱালী—"

"এলি, এলি— মই তোমাক সঁচাই ভাল পাইছো। তোমাক মই কেতিয়াও বিশ্বাসঘাতকতা নকৰো।"

"মি-ছা-ক-থা।"

বাধাই তাক আগবঢ়াত সহায় কৰিলে। তাই তাৰ কোলাতে লেউসেউহৈ ধৰা দিলে। তাইৰ বুকুৰ ঢপঢপনিবোৰে তাৰ বুকুতো ঢপঢপনি তুলিলে। তেতিয়ালৈ শ্বিলঙৰ আকাশত নতুন জোনে ভুমুকি মাৰিছিল।

[সাত]

সময় পালেই এলিজা আৰু নৱই ফুৰিবলৈ যায়। এলিজাৰ মাক-দেউতাকে তাইক বাধা নিদিয়ে। এলিজা গাভৰু ছোৱালী। এয়া তাইৰ সজাত বন্দী হৈ থকাৰ বয়স নহয়। হাঁহি আৰু ফুৰাৰ বয়স। নৱকান্তৰ লগত ফুৰিবলৈ যোৱাত মাকে বাধা দিয়া নাই। সি মাষ্টৰ মানুহ। ভৈয়ামৰ ভাল বংশৰ ল'ৰা বুলি শুনিছে। ভাল ঘৰৰ ল'ৰাই বেয়া কাম নকৰে— এয়ে চুইটীৰ বিশ্বাস।

শ্বিলঙৰ যি ফালেই যোৱা যায় সেই ফালেই ভাল লাগে। শৰত কালত আৰু ভাল লাগে। কেৱল ফুল আৰু ফুল। পাহাৰত বনৰীয়া ফুল। অফিচবোৰৰ আগত মানুহৰ চোতালৰ আগত কেৱল ফুল আৰু ফুল। ৰতাহত কেৱল ফুলৰেই গোন্ধ।

শ্বিলং লেক। লেকটোৰ চাৰিওফালে কেৱল সেউজীয়া সৰল গছেৰে আবৃত্ত। যেন নৱ-দম্পত্তিৰ শোৱনি কোঠাহে। সৰল গছৰ মাজে মাজে ঘাঁহৰ দলিছা। লেকৰ পাৰ নানা বিধ ফুলেৰে ওপচ খোৱা। লেকটোৰ মাজতে এখন ধেনুভিৰীয়া ধুনীয়া দলং। লেকৰ পানীত পোহনীয়া মাছবোৰে ধেমালি কৰি ফুৰে। চানা-বাদাম, আদি পেলাই দিলেই টপ টপকৈ খায়। দুখনমান সৰু নাও। সেইকিখনত উঠি প্ৰেমিকযুগল বা যিকোনো মানুহেই নৌকা-বিহাৰ কৰিব পাৰে। সৰল গছত নানাবিধ চৰাইৰ মধুৰ সংগীতে তাপিতজনৰ অন্তৰলৈ শান্তিৰ নিজৰা বোৱাই আনে। প্ৰিয়জনৰ বিৰহ-মিলনৰ সংগীতৰ মূৰ্ছনাই মানুহৰ মন-প্ৰাণ ব্যাকুল কৰি তোলে।

এলিজা শ্বিলঙৰ ছোৱালী। নৱকান্ত ভৈয়ামৰ ডেকা। দুয়ো নাৱত উঠি কেইবাপাকো মাৰিলে। এৰা প্ৰথমতে তাই নাৱত উঠিবলৈ ভয় কৰিছিল।

"নাৱত নুঠো দেই। মোৰ বৰ ভয় লাগে। ইমান টুলং ঘুটুং কৰে।"

"তুমি এইখন নাৱত উঠিবলৈকে ভয় কৰিছা যেতিয়া সংসাৰৰ নাৱত উঠিবা কেনেকৈ ?"

"সেইখন আকৌ কেনেকুৱা নাও ? আমি হ'লে নদী আৰু নাও নেদেখা পাহাৰৰ ছোৱালী।"...

"পাছত বহি ভালকৈ বুজাই দিম ব'লা।"

ৰাজভৱনৰ ফালৰ সৰল গছৰ সুৰুঙাৰে দেখিলে যে সূৰ্যটো অস্তাচল পাওঁ পাওঁ। শ্বিলঙৰ বহুত ঠাইত সূৰ্যটো ডুবাৰ বহু আগতেই অদৃশ্য হয়। সৰল গছত আউজি নৱকান্তই অপূৰ্ব দৃশ্যটো চাই আছিল। তাৰ কোলাতে হাত এখন থৈ তাৰ কাষতে

বহি থকা এলিজালৈকো সি যেন পাহৰি গৈছিল। এবা শ্বিলং সঁচাই প্ৰকৃতিৰ নন্দন-কানন। নন্দন-কাননৰ মেনকা তিলকহঁতে কাক মায়াজালেৰে বন্দী কৰা নাই। শ্বিলং শুদ্ধ হয়তো শিলনি। শিলৰ বুকু ফালি শান্ত-শীতল নিজৰা বোৱাই হয়তো ঠাইখনৰ নাম শ্বিলং হ'ল।

শ্বিলঙৰ ৰাতিবোৰ মৰিচিকাৰে ভৰা। স্বপ্ন আছে, বাস্তৱ নাই। প্ৰেম আছে, প্ৰীতি নাই। বাস্তৱৰ জঁকাত স্বপ্নৰ তুলিকাৰে ছবি আঁকিব পাৰি। সেই ছবিৰ মাজত নিজে হেৰাই যাব পাৰি। কিন্তু বিচৰাজনক বিচাৰি পাব নোৱাৰি। ইয়াৰ সন্ধিয়াৰ যাদুকৰি মাদকতা আছে। ডাৱৰ আৰু কুঁৱলীয়ে সন্ধিয়াৰ পাছতে শ্বিলংখন ঢাকি ধৰে। মধু ৰসৰ ৰাগিত ডেকাবোৰ বলিয়া হয়। খাছীয়ানীহঁতে এসাঁজ ভাত আৰু কেইটামান টকাৰ বিনিময়ত যৌৱনটো ক্ষন্তেকৰ বাবে বিক্ৰী কৰে। বেহাৰ শেষত কাৰ কিমান লাভ-লোকচান হ'ল কোৱাৰ, চোৱাৰ সময় অতীত হৈ যায়। মৰিচিকা খেদি ফুৰা ভৈয়ামৰ ডেকাবোৰ এদিন ৰিক্ত হৈ নামি আহে। তাৰ পাছত—

"হেই আপোনাৰ টোপনি আহিল নেকি ?"

এলিজাৰ মাতত তাৰ স্বপ্ন-মোহ আঁতৰি যায়। তাইৰ মুখলৈ চাই মিচিকীয়া হাঁহি মাৰি ক'লে— "সঁচাই এলি, শ্বিলংখন বৰ ধুনীয়া। ইয়াৰ বুকুত শেষ হৈ যোৱাৰো আনন্দ আছে।"

"আমাৰ কাৰণে কিন্তু নহয়। বাদ দিয়ক সেইবোৰ কথা। অসমীয়া ডেকাবোৰ শ্বিলঙলৈ আহিয়ে, শ্বিলঙৰ প্ৰেমত পৰে আৰু তাৰ পাছত ছোৱালীৰ প্ৰেমত পৰি সিহঁতৰ সৰ্বনাশ কৰি আকৌ ভৈয়ামলৈ নামি যায়। আমাৰ ছোৱালীবোৰ অবৈধ সন্তানৰ মাতৃ হৈ পাহাৰৰ মৰা শিলৰ দৰে ইয়াতে পৰি থাকে। এইবোৰ জানো ভাল কথা ?"

"মোকো তুমি তেনেকুৱা বুলি ভাবা নেকি ?"

"মই এতিয়া আপোনাৰ প্ৰেমত, মৰমত ডুব গৈ আছো। মই অন্ধ। মোৰ বাবে এই পৃথিৱীত বোকা-পানী, খাল-বাম, গেলা-পঁচা, পৰ্বত-ভৈয়াম— একো নাই। কেৱল সুন্দৰ সুগন্ধি ফুলৰহে গোন্ধ পাই আছো। আন্ধাৰকো জোনাক যেন দেখিছো। অৱশ্যে মায়ে এইবোৰ কথাৰ গম পালে কি কৰে একমাত্ৰ যীশুৱেহে জানে।"

"এলিজা, তুমি যিমান সুন্দৰ, যিমান সবল— আকাশক চুমা খাবলৈ ওখ হৈ যোৱা সবল গছবোৰৰ দৰেই। ক'তো ভাঁজ নাই। মোক বিশ্বাসত লোৱা এলিজা, মোৰ প্ৰাণ তোমাৰ লগত মিলি গৈছে। মোৰ তেজ তোমাৰ তেজৰ লগত মিহলি হৈ যোৱাৰ পাছত—। আহা, আৰু, আৰু অকণমান মোৰ কাষলৈ চাপি আহা।"

"দিনৰ পোহৰত ব্যৱধান থকাই ভাল।"

"নাই, মোক তোমাৰ মৰমৰ জুয়ে ডেই-পুৰি মাৰিছে এলি। মাত্ৰ অকণমান কাষলৈ আহা। মাত্ৰ—।"

নাই, তাই অবাধ্য হ'ব নোৱাৰিলে। অবাধ্য হ'লেই যেন সি বেয়া পাব। অন্তৰত

দুখ পাব। তাই তাৰ অন্তৰত আঘাত দিব নোৱাৰে।

"আপুনি যে কিবা সংসাৰৰ নাও নে কি, কিবা যে কৈছিল ?"

"তেনেই সৰু কথা এলি।"

"হ'লেও মোক ক'ব লাগিব।"

"বিয়াৰ পাছত ডেকা-গাভৰুৱে সংসাৰ পতাকে সংসাৰৰ নাও বুলি কয়।"

"আৰু এবাৰ নাওত উঠুঁগৈ বলক।"

"এন্ধাৰেই হৈ আহিল দেখোন। অন্য এদিন উঠিম বাৰু। চিনেমা চাবানে ?"

"বাপ্‌ৰে, মৰিবলৈ বিচাৰিছে। ঘৰ পাওঁতে দেখোন বহুত ৰাতি হৈ যাব। মা আৰু বাবাই কাটি দুটুকুৰা কৰিব। অন্য এদিন মানে কালিলৈ মেটিনি চাম।"

জোনৰ পোহৰ পৰি পাহাৰবোৰ সঘনে ৰূপ সলায়। সেউজীয়া পাহাৰৰ গুহাত শুকুলা ডাৱৰবোৰ সোমাই, প্ৰকৃতিৰ লগত লুকা-ভাকু খেলে। লেকৰ পাৰত থকা বিজুলী চাকিবোৰ কুঁৱলীয়ে ওৰণি পিন্ধাই।

"এলিজা, মোৰ কথা এটা মানিবানে ?"

"কি কথা ?"

"মই তোমাৰ নামটো সলোৱাৰ কথা ভাবিছো।"

"কি নাম দিব ? যি নাম দিব সেয়ে মিঠা হ'ব।"

"মণি, মানে মণিকা।"

"কিয় ?"

"মানুহে চকুৰ মণি নহ'লে অন্ধ হয় আৰু ময়ো তুমি নহ'লে অন্ধ হৈ যাম।"

"সঁচাই ?"

"ওঁ।"

"আপুনি ইমান ভাল ভাল কথাবোৰ সজাব পাৰে।"

"এতিয়া যাওঁ ব'লা।"

"যাবলৈ মন নেযাই দেখোন।"

শান্ত লেকৰ পাৰ। নৱকান্ত আৰু এলিজা।

[আঠ]

মৰমৰ সোণমইনা,

মাৰৰ মৰম আৰু আশীৰ্বাদ লবি। চাকৰি পায়ে মাৰৰ মৰম, ঘৰখনৰ মৰম আৰু গাঁৱৰ কথা পাহৰি গ'লি দেখোন। আজি এবছৰো ওপৰ হ'ল, ঘৰমুৱা নোহোৱাই হ'লি। চিঠি এখনৰ বাহিৰে দুখন পোৱা নাই। আৰ তাৰ মুখৰ পৰা যিকণ খবৰ পাই আছো, সেয়ে। ঘৰত যে মাৰ-বাপেৰ, ভায়েৰ-ভনীয়েৰহঁত আছে

এবাৰলৈ হ'লেও মনত পেলাবিচোন। তোৰ পৰা আমি টকা-পইচা বিচাৰো বুলি নাভাবিবি। তই নিজেই ঘৰখনৰ বৰ ল'ৰা। তোৰ শিক্ষা-দীক্ষা নোহোৱা নহয়। আমি তোৰ কথাহে ভাবোঁ।

ঘৰত আটাইৰে ভাল বুলি জানিবি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথিৰ দিনা আমাৰ বৰ নামঘৰত সীতাহৰণ ভাওনা পাতিছে। তই দেখোন সৰুৰে পৰা ভাওনা বৰ ভাল পাইছিলি। ভাওনাটো পোৱাকৈ আহিলে গাঁৱৰ মানুহে ভাল পাব। ভাওনাও চোৱা হ'ব আৰু গুৰুজনাৰ চৰণত সেৱাও জনোৱা হ'ব। দহোকুৰি বোপাই, নাহিলে আমি বৰ দুখ পাম।

সোণমইনা ঔ, মোৰ চুলিৰ সমান যেন আয়ুস হ'ক। মহাপ্ৰভুৱে যেন কুশলে ৰাখে। দুখুনী মাৰে আৰু কি আশীৰ্বাদ দিব। ইতি

তোৰ
মা

চিঠিখনে তাৰ মনত আউল লগাই দিলে। ঘৰলৈ যোৱা মানেই ভালেমান টকা খৰচ। ভাওনা! সেই সোপাও আৰু চাব পৰা দিন আছে জানো? খোল তালৰ মাতে কাৰো মাত কোনেও নুশুনা কৰে। ভাওনা চোৱা মানেই ৰাতিটো টোপনি ক্ষতি। তাতোকৈ পাঁচ টকা খৰচ কৰিলেই দুঘণ্টাৰ ভিতৰতে সুন্দৰ চিনেমা এখন চাব পাৰি। নতুন কথা শিকিব পাৰি।

অৱশ্যে ঘৰলৈ যোৱাৰ বাবে, মাক-দেউতাকক চোৱাৰ বাবে, অন্তৰখনে হাহাকাৰ কৰিছিল। হয়, পৃথিৱীত ইমান আপোন আৰু স্নেহময়ী আন কোন হ'ব? কিন্তু ঘৰলৈ যোৱা মানেই এলিজাৰ লগত দাৰ্জিলিঙলৈ যোৱাটো বন্ধ কৰিব লাগিব। দাৰ্জিলিঙত এলিজাৰ বাপেকৰ পেহীয়েক এজনী আছে। নৰকান্তৰ লগত এলিজাক যোৱাৰ অনুমতিও দিছে। গতিকে এই সুবিধা সি এৰিব নোৱাৰে। গ'লে মাঘৰ বিহুতে যাব। গতিকেই টকা অলপ মণি-অৰ্ডাৰ কৰি পঠাই দিয়াটোৱেই মংগল হ'ব।

খাগৰীজান জিলাৰ এখন উন্নত গাঁও— মৰাচুক। ৰাতিপুৱা, গধুলা ডবা-কাঁহৰ মাতে ৰজন্ জনাই থকা গাঁও। সেইখন গাঁৱৰে সত্ৰাধিকাৰ শ্ৰীকৃষ্ণদেৱ গোস্বামীৰ বৰ পুত্ৰ নৰকান্ত। সত্ৰৰ ভাবী সত্ৰাধিকাৰ। নৰকান্তৰ পিতাক সেই অঞ্চলৰ সন্মানীয় ব্যক্তি। শিচ, ভকতে সততে তেখেতৰ পৰা নানা ধৰণৰ পৰামৰ্শ ল'বলৈ আহে। তেখেত এজন শিক্ষকো। প্ৰাথমিক বিদ্যালয় এখনৰ প্ৰধান শিক্ষক। শিক্ষকতা নকৰিলে পৰিয়াল চলোৱা টান গতিকেই চাকৰি কৰিছে। খেতিৰ মাটি বৰ বেছি নাই। পাঁচ বিঘামান মাটিৰ বাৰীখন পাণ-তামোলেৰে গেজ মৰা। নৰকান্তই চাকৰি কৰি যিমান টকা পায় বাপেকে বাৰীত পাণ-তামোলতে তাৰ তিনি গুণ পায়।

চিঠিৰেই তাক দেউতাকে জনাইছিল যে মাহে মাহে টকা-পইচা পঠোৱাৰ কোনো প্ৰয়োজন নাই। ঘৰ চলাবলৈ তাৰ পইচা নালাগে। পাৰিলে বেছিকৈ জমাই ঘৰটো

ভালকৈ সজাব পৰাকৈ টকা পঠাবলৈ কৈছিল।

নৰকান্তই টকা নসচাকৈ থকা নাছিল। কিন্তু এলিজাৰ প্ৰেমত হাবুডুবু খোৱাৰ পৰাই খৰচৰ মাত্ৰা দিনক দিনে বাঢ়ি যাবলৈ ধৰিলে। সন্ধিয়া সন্ধিয়া শ্বিলঙৰ দামী ৰেষ্টোৰাঁত সোমাই চাহ খোৱা আৰু চিনেমা চোৱাত কিমান টকা খৰচ হয় সি ক'ব নোৱাৰে।

এলিজাই তাৰ লগত ফুৰিবলৈ গ'লে ধুনীয়া শাৰীহে পিন্ধি যায়। সেইবোৰ সি কিনি দিয়ে। এলিজাৰ পোছাকৰ লগত ফেৰ মাৰি সিয়ো কাপোৰ পিন্ধে। চেণ্ট ব্যৱহাৰ কৰে।

দাৰ্জিলিঙৰ পৰা ঘূৰি অহাৰ পৰাই ঘটনাই অন্য ৰূপ ল'লে। তাইক মাক-বাপেকে শাসন কৰিব নোৱৰা হ'ল। কথাবোৰ আৰু গোপন হৈ নাথাকিল। সিহঁতৰ প্ৰেম প্ৰকাশ হোৱাৰ পৰাই নৰকান্তৰ এদল শত্ৰুৰ সৃষ্টি হ'ল। এলিজাক কেইবাজনো ল'ৰাই ভাল পাবলৈ বিচাৰিছিল। তাই ধুনীয়া ছোৱালী। কিন্তু তাই সিহঁতৰ চকুলৈ নাচায়। গতিকেই নৰকান্তক বাটত আগচি ধৰি সাৱধান কৰি দিয়ে।

"মই আৰু ইয়াত থাকিব নোৱাৰো মেৰী, নহ'লে সিহঁতে মোক মাৰি পেলাব। এতিয়া মই কি কৰিম কোৱা ?"

"কোনে মাৰিব আপোনাক। কিয় মাৰিব ?"

"মাইকেল আৰু নাউথাংহঁতে। সিহঁতে তোমাক ভাল পায়। মোক আঁতৰাব পাৰিলে তোমাক লাভ কৰিব পাৰিব।"

"মই সিহঁতক ঘিণ কৰো। মনৰ পৰা, অন্তৰৰ পৰা।"

"সেইবোৰ তোমাৰ কথা। কিন্তু সিহঁতে তোমাক ভাল পায়। মাইকেলৰ কথা মই নাজানো। কিন্তু ৰেভাঃ নাউথাং ছাংমাই তোমাক যিকোনো প্ৰকাৰেই নিব। মোক মাৰিবলৈ সি গুণ্ডাৰ দল লগাইছে। মোক আঁতৰাব পাৰিলেই তাৰ পথ মুকলি হ'ব হেনো। সিদিনা মোক পুলিচ বজাৰৰ চকতে আগছি ধৰি সাৱধান কৰি দিছে। মাত্ৰ এটা সপ্তাহৰ সময় দিছে।

"উস্ঃ এইবোৰ কি কৈছে আপুনি ? আপুনি কথাটো পুলিচক নজনাই কিয় ?"

"একো লাভ নহ'ব। তেতিয়া আৰু মই কেইদিন জীয়াই থাকিব পাৰিম সেই যীশুৱেও ক'ব নোৱাৰিব। কাৰণ শ্বিলঙৰ শাসন এতিয়া খাছী ডেকাৰ হাতত।"

১৯৭২ চনৰ পৰা শ্বিলঙৰ আকাশে-বতাহে অসমীয়াক শ্বিলঙৰ পৰা খেদি পঠোৱাৰ কথা বিয়পি পৰিছিল। খাছী মানুহ পূৰ্বতেও অসমৰ লগত নাছিল আৰু এতিয়াও নাথাকে। চিৰদিন স্বাধীন খাছীয়াসকল কেতিয়াও অসমীয়াৰ শাসনৰ তলত নাথাকে। অসমীয়াবোৰ বিশ্বাসঘাতক। ইহঁতক খেদিবই লাগিব। ইহঁতে আমাক শাসন কৰিছে। খাছীয়া ছোৱালীৰ ইজ্জত নষ্ট কৰিছে। আমাক শাসন কৰাৰ কোনো অধিকাৰ নাই। আদি ধ্বনিৰে খাছী পাহাৰৰ আকাশ কম্পমান। কথাবোৰ এলিজা আৰু তাইৰ মাকেও বুজিছিল। গতিকেই এলিজাই নৰকান্তৰ কোলাত মূৰ থৈ কান্দিবলৈ ধৰিলে।

"আপুনি ইয়াৰ পৰা গুচি যাব। কিন্তু মোৰ কি হ'ব। মই ক'লৈ যাম ?"

"তুমি, তুমি মোক পাহৰি যোৱা এলিজা। তুমি চাংমাইৰ....।"

"নিষ্ঠুৰ ক'ৰবাৰ। নাই তেনেকুৱা কথা আৰু নক'ব। মই সহিব নোৱাৰো। মই মৰি যাম। মই মৰিম।"

"এলিজা, তুমি মৰিবা আৰু মই জীয়াই থাকিম বুলি ভাবিছা হ'বলা ?"

"তেনেহ'লে কি কৰিব কওঁক।"

"আপোনাৰ লগত ময়ো যাম।"

"তোমাৰ ঘৰত অনুমতি দিব জানো ?"

"আপোনাক ভাল পোৱাৰ বাবে, আপোনাৰ দুবাহুৰ মৰমৰ মাজত সোমোৱাৰ বাবে জানো ঘৰৰ পৰা অনুমতি লৈছিলো ?"

[ন]

শ্বিলঙৰ পৰা নামি অহাৰ আগতেই অসমীয়াত এম. এ পাছ কৰিছিল। সেয়ে গুৱাহাটীলৈ আহিয়ে নতুনকৈ স্থাপিত হোৱা কলেজ এখনত চাকৰি পালে। দৰমহা কম। কিন্তু অতি সোনকালেই চৰকাৰী হোৱাৰ পথত। কলেজত সোমায়ে কেইবা ঠাইতো গৃহ শিক্ষকৰ কাম কৰিবলৈ ধৰিলে। অংক আৰু ইংৰাজীত তাৰ বেছ দখল থকাৰ বাবেই গৃহ শিক্ষক হিচাপে বিচৰা মানুহৰ অন্ত নোহোৱা হ'ল। টকাৰ মোহে নৱকান্তক অন্ধ কৰি পেলালে। অৱশেষত ঘৰতো ডেস্ক-বেঞ্চ গোটাই প্ৰতি দিনে চাৰিটা বেষ্টক পঢ়ায়...।

গুৱাহাটীত চাকৰি ঠিক কৰিয়ে এদিন শ্বিলং পালেগৈ। ইতিমধ্যে ১৯৭৪ চনত অসমৰ ৰাজধানী — এশ বছৰৰ পিছত গুৱাহাটীলৈ নামি আহিল। গুৱাহাটীৰ সীমা নোহোৱা হ'ল। সীমাহীন গুৱাহাটীৰ বুকুতে দুকঠা মাটি কিনি ঘৰো সজালে। ভাৰা ঘৰত থাকোঁতেই এদিন এলিজাক মাকে থৈ গ'লহি।

ঘৰলৈ নিয়াৰ সাহস নহ'ল। গাঁৱত কথাটো বন জুইৰ দৰে বিয়পি পৰিল। সিহঁতক গঞা ৰাইজে এঘৰীয়া কৰিছিল। অৱশেষত যেনিবা সেইবোৰ তাপ মাৰিলে। দুটা ভিন্ন তেজৰ সংমিশ্ৰণত জন্ম এলিজাৰ। ধৰ্মও সুকীয়া।

দিনবোৰ পাৰ হোৱাৰ লগে লগে নৱকান্তৰ মনো সলনি হৈ আহিবলৈ ধৰিলে। সি কোনোবাখিনিত ভুল কৰিলে নেকি ? যিটো কথা সি ভুলতো চিন্তা কৰা নাছিল। সেইটোৱেই আজি কালসৰ্প হৈ তাক খোটাৰ বাবে জিভা মেলি খেদি ফুৰিছে।

"হেৰ সেইটো নৱ নহয় জানো ?"

"অ' দদাইদেউ দেখোন। আপুনি, মানে—"

"এহঃ নকবি আৰু, ৰাইজৰ কাম এটাৰ বাবে দিছপুৰলৈ আহিছিলো। এতিয়া ঘৰলৈ যাবলৈহে আহিছো।"

পল্টন বজাৰতে লগ পাইছিল সিহঁতৰ গাঁৱৰ ৰৰবায়ন মোহন বৰাক। গাঁও পঞ্চায়তৰো সভাপতি।

"এতিয়া মানে এই সন্ধিয়াখন যোৱাতকৈ আমাৰ ঘৰতে ৰাতিটো থাকিব পাৰিব দেখোন।"

"বেয়া নাপাবি দেই। তোৰ ঘৰলৈ যাব নোৱাৰিম। দৰকাৰ হ'লে হোটেলতে থাকিম। হেৰ তই সত্ৰৰ বৰপুত্ৰ হৈ কিখন কৰিলি অ' ? ইয়ালৈকে হ'বলা পঢ়া-শুনা কৰিছিলি ? মাৰ-বাপেৰৰ নাক কাটি কিনো সুখ পাইছ ? আনিছ বাৰু আন, হেৰ আমাৰ বেদৰ ভিতৰতে ছোৱালী এজনী নাপালি হ'বলা ?"

নাই, সি মোহন বৰাৰ আগত কোনো কথাৰে উত্তৰ দিব নোৱাৰিলে। সেই দিনৰ পৰা তাৰ চৰিত্ৰৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। আনহাতে এলিজাৰ যুক্তি— তাইক এটা সন্তান লাগে। তাই মাতৃ হ'বলৈ বিচাৰে।

নৱকান্তই সিদ্ধান্ত কৰিলে— সেইটো সি কোনো মতেই হ'বলৈ নিদিয়ে। এবাৰ চিন্তা কৰে, এলিজাক এৰি দিব ? তাৰ পাছত তাইৰ কি হ'ব ? এলিজাক এৰি দিয়াত আইনৰ কোনো বাধা নাই। কাৰণ তাইক সি বিধি-বিধান মতে পত্নী হিচাপে গ্ৰহণ কৰা নাই। অথচ, সি তাইক এৰিব নোৱাৰে। মনে-প্ৰাণে ভাল পাই জীৱনৰ লগৰী কৰি লৈছে। কিন্তু তাইক যদি জীৱনে মৰণে লগৰী কৰি ল'ব পাৰে, সন্তানৰ পিতৃ হ'ব নোৱাৰে কিয় ? পিতৃৰ পৰিচয়েই সন্তানৰ পৰিচয় যেতিয়া...।

সি উচ্চ হিন্দু, এলিজা খাছীয়া ধৰ্মত খ্ৰীষ্টান আৰু তাইৰ বাপেক জন্মগতভাৱে গোৰ্খা-নেপালী। ধৰ্ম ৰূপান্তৰ ঘটাই এতিয়া খ্ৰীষ্টান হৈছে। পিতৃ-মাতৃৰ পৰিচয়েই সমাজত সন্তানক প্ৰতিষ্ঠা কৰে যেতিয়া সিহঁতৰ সন্তানে কি ধৰ্ম গ্ৰহণ কৰিব ?

বিজ্ঞানৰ সূত্ৰটো সলনি হ'ল। প্ৰকৃতিৰ ওচৰত কেতিয়াবা কেতিয়াবা বিজ্ঞানৰো পৰাজয় হয়। নৱকান্তৰ অজ্ঞাতেই এলিজাই মাতৃ হ'বলৈ আগবাঢ়িল। কথাটো তাই গোপন কৰি ৰাখিছিল। কিন্তু জুইক জাবৰ দি ঢাকি থ'ব পাৰি জানো ?

কথাটো প্ৰকাশ হোৱাৰ পাছতেই নৱকান্তই ঘোৰ অন্ধকাৰ দেখিলে। অৱশেষত এলিজা অৰ্থাৎ মনিকাক জোৰ কৰিবলৈ ধৰিলে। সন্তানটো নষ্ট কৰাৰ বাবে। নৱকান্তৰ মনৰ কথা তায়ো নুবুজাকৈ থকা নাছিল। কিন্তু তাইৰ অৱস্থা হ'ল পৃথিৱী এৰি ভৰি দিবলৈ ঠাই নোহোৱা। মাক-দেউতাকৰ মৃত্যু হৈছে। মৃত্যুৰ আগতে বাপেকে ঘৰে মাটিয়ে বিক্ৰী কৰিছিল। তাই নৱকান্তৰ লগত প্ৰেম খেলি দুবাৰতো মেট্ৰিক পাছ কৰিব নোৱাৰিলে। গতিকে তাই পাৰহীন সমস্যাত পৰিল।

নৱকান্তৰ প্ৰতি থকা মায়ামোহ তাইৰ নোহোৱা হৈ আহিছে। তাক তাই বিশ্বাস কৰিব নোৱৰা হৈ পৰিছে। হয়তো কোনোবা দিনা মদৰ নিচাত তাইক হত্যা কৰি

পেলাব। কথাটো ভাবি তাইৰ গাৰ নোম শিয়ৰি উঠিল। তেন্তে তাই এতিয়া কৰিব কি?

কাক সুধিব? কোনে তাইক শুদ্ধ পথ দেখুৱাব? নবকান্তক এৰি তাই জানো অকলে থাকিব পাৰিব? চলিব কেনেকৈ? দুদিনৰ পিছত যিটো সন্তান হ'ব সেইটোক পালন কৰিব কেনেকৈ? বেশ্যা হ'ব লাগিব। অসম্ভৱ। আত্মহত্যা? নকৰে। কাৰণ তাই পাপ কৰা নাই। তেন্তে?

এনেকৈয়ে আৰু কিছুদিন অতিবাহিত হ'ল। দুয়োৰে মাজত অতি সাধাৰণ কথাতে কাজিয়া লগা হ'ল। ৰাতি ৰাতি মদৰ নিচাত টং হৈ ঘৰলৈ আহে। আহিয়েই অৰ্থহীন আৰু মনেসজা অভিযোগ উলিয়াই কাজিয়া লগাবলৈ বিচাৰে। তাই কোনো উত্তৰ নিদিয়ে। উত্তৰ দিলেই ককালৰ বেল্ট খুলি মাৰিবলৈ খেদি আহে।

"ঐ, এইটো চিগাৰেটৰ টুকুৰা ক'ৰ পৰা আহিল? তাৰ মানে মই নথকাত বকুল বৰুৱা মোৰ ঘৰলৈ আহে। আহেনে নাহে?"

"আহে।"

"কিয় আহে? মই নথকাত কিয় আহে?"

"মানুহৰ ঘৰলৈ মানুহ নাহি গৰু আহিব নেকি?"

"মই নথকাত বকুলৰ লগত পাল খাব?"

"ছিঃ ছিঃ, কি কৈছে আপুনি?"

"শুনা নাই, বুজা নাই? তোমাৰ দেহত এতিয়াও ভুবন ভুলোৱা ৰূপ-যৌৱন আছে। ঠিকাদাৰ বকুলৰো অলেখ টকা আছে। তাৰ লগত মাতৃ হোৱাৰ ৰিহার্চেল কৰিছা?"

"মনে মনে থাকক। ইমান লেতেৰা কথাবোৰ এজন অধ্যাপকৰ মুখত শোভা পাই জানো? কাষৰ মানুহে শুনিলে কি বুলি ক'ব?"

"কিডাল ক'ব— ক'ব নবকান্তৰ ৰূপহী ঘৈণীয়েকে ঠাইখনৰ পবিত্ৰতা নষ্ট কৰিছে। বেশ্যালয় পাতিছে।"

"চুপ, এনেকুৱা অসৎ কথা আৰু নক'ব।"

"কাক চুপ বুলিলি?" ঠাচকৈ তাইৰ গালত চৰ সোধাই দিলে।

অৱশেষত সি নিচাত থিয়েৰে থাকিব নোৱৰা হৈ আহিছিল। কাষতে থকা বাহিৰা বিছনাখনতে শুই পৰিল।.....

কেইদিনমানৰ পিছত এদিন বকুল বৰুৱা দুপৰীয়া আহিছিল। বকুলৰ আগত ইমান লেতেৰা কথাবোৰ কোৱাৰ বাবে তাই প্ৰস্তুত নাছিল। অথচ তাই জানে নবকান্ত নোহোৱাত বকুল কিয় আহে। মাতৃ হোৱাৰ বাসনাই এলিজাক পাগল কৰি তুলিছিল। তাই পৃথিৱীৰ সকলো দুখ-কষ্ট সহিব পাৰিব; কিন্তু মাতৃত্বৰ পৰা বঞ্চিত বেদনা সহিব নোৱাৰে। তাই নাৰী। মাতৃত্বই নাৰীৰ অক্ষয় গৌৰৱ। নবকান্ত এটা কাপুৰুষ। বিশ্বাসঘাতক। তাই লোক গঞ্জনাৰ পৰা মুক্ত হ'ব বিচাৰে। তাই

নিজৰ কাণেৰে শুনিছে— ওচৰৰ মানুহবোৰে তাইক কাঠবাজী বুলি কয়। তাইক দেখিলে হেনো যাত্ৰা ভংগ হয়। কাঠবাজীৰ সঁচা উত্তৰ দিয়াৰ বাবে তাই সিদ্ধান্ত কৰিলে।

ঠিকাদাৰ বকুল বৰুৱা। বৰুৱাৰ লগত নৱকান্তৰ গভীৰ বন্ধুত্ব আছিল। বকুলৰ বাহিৰে নৱকান্তৰ ঘৰলৈ বিশেষকৈ সি নথকাত কোনো আহিব নোৱাৰে।

বকুল বৰুৱাৰ চৰিত্ৰ সলাগিব লগীয়া নহয়। অসমৰ প্ৰতিখন জিলাৰ সদৰ ঠাইতে বকুলৰ ঘৰ আছে। টকা আছে। ল'ৰা-ছোৱালী আছে। দুজনীকৈ স্বীকৃত ঘৈণীয়েক আছে। ধুনীয়া গাভৰু ছোৱালীতকৈয়ো বকুলৰ ধুনীয়া বোৱাৰী তিৰোতাৰ প্ৰতি লোভ বেছি। এলিজাৰ ৰূপ-যৌৱনে বকুলক বলিয়া কৰিছিল। প্ৰথমে বন্ধু-পত্নী হিচাপে ব্যৱহাৰ কৰিছিল। শেষলৈ প্ৰেমিকা হিচাপে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল।

অৱশেষত এলিজাই যেন নতুন পথৰ সন্ধান পালে। তাই ভালদৰেই বুজিছিল, তাই আৰু নৱকান্তৰ লগত সুখৰ সংসাৰ কৰিব নোৱাৰে। কোনো দিনেই মাতৃ হ'ব নোৱাৰে। আইনগতভাৱেও পত্নীত্বৰ দাবী কৰিব নোৱাৰে। নৱকান্তই চুলিত ধৰি গতিয়াই বাহিৰ কৰি দিলেও প্ৰতিবাদ কৰিব নোৱাৰে।

সেয়ে তাই বকুলৰ পৰা এটা কথাত নিশ্চয়তা বিচাৰিলে— তাইৰ গৰ্ভত থকা সন্তানৰ পিতৃত্বৰ দায়িত্ব স্বীকাৰ কৰিব লাগিব। দ্বিতীয়তে তাই তাৰ ৰক্ষিতা হিচাপে নাথাকে— পত্নীৰ মৰ্যাদা দিব লাগিব আইনগতভাৱে। অৰ্থাৎ ক'ৰ্টৰ আশ্ৰয় ল'ব লাগিব। এবাৰ সাপে খুটিছে যেতিয়া আৰু ভুল নকৰে।

★★★